সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ, ০৫ সংখ্যা, ১৮ মাঘ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 05 Date of Publication- 1 February 2026 Rs. 10.00/-

## বেংগালুৰুৰ বন্ধ কোঠাত অসমৰ ৪ যুৱকৰ মৃতদেহ উদ্ধাৰ




ৰঙিলী বাৰ্ত্তাসেৱা- কৰ্ম সংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ যোৱা অসমৰ চাৰিজন যুৱকৰ মৃতদেহ ৰহস্যজনকভাৱে এটা বন্ধ কোঠাত উদ্ধাৰ। একেটা কোঠাত একেলগে যুৱককেইজনৰ মৃতদেহ উদ্ধাৰক লৈ সৃষ্টি হৈছে গভীৰ ৰহস্যৰ। বেংগালুৰুৰ ছুলিবেলে থানাৰ অন্তৰ্গত মুটছান্দ্ৰা গাঁৱৰ এটা ভাৰাঘৰৰ পৰা আৰক্ষীয়ে ঢকুৱাখনা আৰু নাওবৈচাৰ মিচিং জনগোষ্ঠীৰ যুৱককেইজনৰ মৃতদেহ উদ্ধাৰ কৰে। বেংগালুৰুৰ এটা ব্যক্তিগত কোম্পানীত কৰ্মৰত আছিল আটাইকেইজন যুৱক। এই পৰ্যন্ত জানিব পৰা হোৱা নাই যুৱকজনৰ মৃত্যুৰ প্ৰকৃত কাৰণ। মৃত আটাইকেইজন যুৱকৰ ঘৰ লখিমপুৰ জিলাত। চাৰি যুৱকৰ সৈতে সংঘটিত এই মৰ্মান্তিক ঘটনাক লৈ সমগ্ৰ লখিমপুৰ জিলাত সৃষ্টি হৈছে চাঞ্চল্যৰ। ঘৰৰ ভিতৰত শুই থকা অৱস্থাত মৃত অৱস্থাত উদ্ধাৰ কৰা হয় যুৱককেইজনক। মৃত যুৱককেইজন হৈছে নৰেন্দ্ৰ টাইদ (২৩) , ধনঞ্জয় টাইদ (২৫) , ডাক্তৰ টাইদ(২০) আৰু জয়ন্ত চিন্তে (২৫) । ইয়াৰে নৰেন্দ্ৰ টাইদ, ধনঞ্জয় টাইদ আৰু ডাক্তৰ টাইদৰ ঘৰ নামনি বৰ্যামুখত। আনজন যুৱক নাওবৈচা শালমাৰা গাঁৱৰ জয়ন্ত চিন্তে। ৯ মাহ পূৰ্বে দিপীকাৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল জয়ন্ত । পূৰ্বতে বেংগালুৰুত কাম কৰা জয়ন্ত এবছৰ মানৰ আগত ঘৰলৈ ঘূৰি আহিছিল। পৰৱৰ্তী সময়ত তেওঁ বিবাহ পাশত আৱদ্ধ হয়। শেহতীয়াকৈ তেওঁ কামৰ সন্ধানত ছমাহ মানৰ আগত পুনৰ বেংগালুৰুলৈ উভতি যায় ।প্ৰাপ্ত তথ্য অনুসৰি, এই যুৱককেইজনে বেংগালুৰুত এটা কোম্পানীৰ ( দুই পৃষ্ঠাত চাওক)

## গুৱাহাটীত স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বিশাল প্ৰতিমূৰ্তি উন্মোচন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যজুৰি উলহ-মালহেৰে উদযাপন কৰা হৈছে পৱিত্ৰ মে-ডাম-মে-ফী । 'মে-ডাম-মে-ফি'ৰ পৱিত্ৰ দিনটোতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ নটবমাৰ চ্যুকাফা নগৰত বৰ অসমৰ খনিকৰ স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ এটা বিশাল আৰু নৱনিৰ্মিত প্ৰতিমূৰ্তি আনুষ্ঠানিক-ভাৱে উন্মোচন কৰে। কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ বিশেষ প্ৰচেষ্টাত তথা টাই আহোম সাংস্কৃতিক সমাজৰ উদ্যোগত মুখ্যমন্ত্ৰীৰ ( দুই পৃষ্ঠাত চাওক)

## আজি কেন্দ্ৰীয় বাজেট দাখিল কৰিব নিৰ্মলা সীতাৰমণে



ৰঙিলী বাৰ্ত্তাসেৱা- আজি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে লোকসভাত দাখিল কৰিব ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট। আজি একেৰাহে নৱমবাৰৰ বাবে অভিলেখ সৃষ্টিকাৰী কেন্দ্ৰীয় বাজেট দাখিল কৰিবলৈ সাজু হৈছে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ।উল্লেখযোগ্য যে প্ৰাক্তন প্ৰধানমন্ত্ৰী মোৰাৰজী দেশায়ে বিভিন্ন কাৰ্যকালত মুঠ ১০খন বাজেট দাখিল কৰিছে যদিও একেৰাহে নখন বাজেট দাখিল কৰা নিৰ্মলা সীতাৰমণেই হৈছে প্ৰথম কেন্দ্ৰীয় বিত্ত মন্ত্ৰী। আজি পুৱা ১১ বজাৰ পৰা বিত্তমন্ত্ৰী সীতাৰমণে আগন্তুক বিত্তীয় বৰ্ষৰ ( চাৰি পৃষ্ঠাত চাওক)

## দেৰগাঁৱত এইবাৰ বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিবঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- বৰ্তমান অগপৰ দখলত থকা দেৰগাঁৱত এইবাৰ বিজেপিয়ে নিজা প্ৰাৰ্থী দিব। আগন্তুক বিধানসভা নিৰ্বাচনত খুমটাই বিধানসভা নিৰ্বাচনত বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী মৃণাল শইকীয়া হ'ব বুলি খুমটাইৰ নৰাগাঁৱত ঘোষণা কৰি সমষ্টিটোত একাকাৰ নিৰ্বাচনৰ ৰণশিঙা বজালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। গোলাঘাট জিলাৰ খুমটাইত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দেৰগাঁও সমষ্টিত এইবাৰ বিজেপিয়ে নিৰ্বাচন খেলাটো এশ শতাংশ নিশ্চিত। যোৱাবাৰ বিধানসভা নিৰ্বাচনৰ সময়ত যেতিয়া সমষ্টিটো অগপক এৰি দিয়া হৈছিল, তেতিয়া সমষ্টিটোৰ বিজেপি কৰ্মীসকলে অহাবাৰ সমষ্টিটো বিজেপিক এৰি দিয়াৰ প্ৰতিশ্ৰুতি তেওঁৰ পৰা আদায় কৰি লৈছে। সেই প্ৰতিশ্ৰুতি অনুসৰি এইবাৰ দেৰগাঁৱত বিজেপিয়ে নিৰ্বাচন খেলিব। দেৰগাঁও সমষ্টিটোত যিহেতু বিজেপিৰ বিধায়ক নাছিল বা নাই সেয়া স্বাভাৱিকতে সমষ্টিটোত নতুন মুখেই প্ৰাৰ্থিত্ব লাভ কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অগপই যদি সমষ্টিটোত নিৰ্বাচন খেলিব বিচাৰে, তেতিয়াহ'লে বন্ধুত্বমূলক প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। অগপই বন্ধুত্বমূলক প্ৰতিদ্বন্দ্বিতা কৰিলেও ( দহ পৃষ্ঠাত চাওক)

## কংগ্ৰেছৰ নতুন বৰ অসম সন্দৰ্ভত সৰৱ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কংগ্ৰেছ দলে নতুন বৰ অসম গঢ়াৰ আহবানেৰে দেৱাল লিখন আৰম্ভ কৰাক লৈ সৰৱ হৈছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। 'হাতত হাত ধৰোঁ, নতুন বৰ অসম গঢ়ো' শীৰ্ষক কংগ্ৰেছৰ এই দেৱাল লিখনক লৈ গুৱাহাটীত সংবাদ মাধ্যমৰ আগত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° শৰ্মাই। কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয়, কংগ্ৰেছে যিটো এটা ডাঙৰ শব্দ কৈছে, তেওঁলোকে কৈছে নতুন বৰ অসম, নতুন বৰ অসম মানে কি? ( দহ পৃষ্ঠাত চাওক)

# বেংগালুৰুৰ বন্ধ কোঠাত অসমৰ

গুদামত শ্ৰমিক হিচাপে কৰ্মৰত আছিল। তেওঁলোকে মুটছাদ্ৰা গাঁৱৰ এজন লোকৰ ঘৰত ভাৰাতীয়া হিচাপে বাস কৰিছিল। জানিব পৰা মতে, শুকুৰবাৰে কাম শেষ কৰি নিশা তেওঁলোকে কোঠাত শুই পৰিছিল, কিন্তু শনিবাৰে পুৱা কোঠাটোৰ ভিতৰত চাৰিওজনকে মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। ছুলিবেলে আৰক্ষীয়ে এই শোকাবহ তথ্য নিশ্চিত কৰিছে। ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে ঘটনাস্থলীত উপস্থিত হৈ আৰক্ষীয়ে আৰম্ভ কৰিছে তদন্ত। বেংগালুৰু গ্ৰাম্য জিলা আৰক্ষী অধীক্ষক চন্দ্ৰকান্তেও স্থান পৰিদৰ্শন কৰিছে। যুৱককেইজনৰ মৃত্যুৰ সঠিক কাৰণ বৰ্তমানলৈকে স্পষ্ট হোৱা নাই। ইফালে, একেটা কোঠাত একেলগে যুৱককেইজনৰ মৃতদেহ উদ্ধৰক লৈ সৃষ্টি হৈছে গভীৰ ৰহস্যৰ। ঢকুৱাখনাৰ নামনি বৰ্যামুখৰ তিনিওজন যুৱকৰ ঘৰত বিৰাজ কৰিছে শোককুল পৰিবেশ। ৰহস্যজনভাৱে মৃত্যু হোৱাৰ খবৰ পৰিয়ালৰ লোকে লাভ কৰে আৰু লগে লগে হাহাকাৰ লাগে পৰিয়ালৰ মাজত। হৃদয়বিদাৰক এই ঘটনাক সহজভাৱে ল'ব পৰা পৰিয়ালৰ লোকে। প্ৰাপ্ত তথ্য অনুসৰি, তিনি বছৰ পূৰ্বে ঘিলামৰা থানাৰ অন্তৰ্গত নামনি বৰ্যামুখৰ দৰিদ্ৰ তিনিওগৰাকী যুৱক কামৰ সন্ধানত গৈছিল বেংগালুৰুলৈ। আৰ্থিক দীনতাৰে যুঁজি পৰিয়ালক পোহপাল দিবলৈ সুদূৰ বেংগালুৰুত কৰ্ম সংস্থাপন বিচাৰিছিল যুৱককেইজনে। কোম্পানীত কাম কৰি চলাই আছিল পৰিয়াল। পৰিয়ালৰ লোকে জনোৱা অনুসৰি শুকুৰবাৰে পৰিয়ালৰ লোকৰ সৈতে ফোনযোগে কথা-বতৰা পাতিছিল ঢকুৱাখনাৰ দুজন যুৱকে। ভাত ৰান্ধি খাই শুই যোৱাৰ কথাও কৈছিল পৰিয়ালক। তাৰ পিছত কেনেকৈ এই হৃদয়বিদাৰক ঘটনা সংঘটিত হ'ল তাক লৈ ঘনীভূত হৈছে ৰহস্য। যুৱককেইজনৰ সৈতে ভাৰাঘৰৰ একেটা কোঠাত বাস কৰিছিল মাজুলীৰ অজয় টায়ে নামৰ আন এজন যুৱকো। চাৰিজন যুৱকে কৰ্ম সম্পাদন কৰি আহিছিল ভাৰাঘৰলৈ। আনজন যুৱক ওলাই গৈছিল কামলৈ। পুৱা কাম শেষ কৰি উভতি আহি অজয় টায়ে নামৰ যুৱকজনে দেখিলে কোঠাৰ ভিতৰতে পৰি আছিল চাৰিজনকৈ যুৱকৰ মৃতদেহ। কোনোবাটো মৃতদেহ মজিয়াত পাৰি থোৱা তুলিৰ ওপৰত। কোনোবাটো মৃতদেহ আন এটা মৃতদেহৰ ওপৰত। কি পৰিস্থিতিত অসমৰ ৪জনকৈ যুৱকে বহিঃৰাজ্যৰ এটা বন্ধ কোঠাতে অকাল মৃত্যুক আঁকোৱালি ল'ব লগা হ'ল তাক লৈ এতিয়া সৃষ্টি হৈছে গভীৰ ৰহস্যৰ। আৰক্ষীয়ে ইতিমধ্যে মৃতদেহকেইটা মৰণোত্তৰ পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে আৰু ঘটনাৰ সন্দৰ্ভত এক বিতং তদন্ত অব্যাহত ৰাখিছে। ইফালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বেংগালুৰুৰ ভাৰাঘৰৰ বন্ধ কোঠাত অসমৰ ৪জন যুৱকৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱা ঘটনাৰ তদন্তৰ নিৰ্দেশ দিছে আৰক্ষীক। এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজি পুৱাই এটা বহুত দুখৰ খবৰ পাইছোঁ। মই ইতিমধ্যে আৰক্ষীক নিৰ্দেশ দিছোঁ- বেংগালুৰুৰ আৰক্ষী আয়ুক্তৰ লগত কথা পাতিব লাগে। ঘটনাৰ তদন্তও কৰিব লাগে আৰু মৃতদেহকেইটা সন্মানসহকাৰে অসমলৈ ওভোতাই অনাৰ ব্যৱস্থা কৰক। মই নিজেও কৰ্ণাটকৰ মুখ্যমন্ত্ৰীৰ সৈতে কথা পাতিম।

# গুৱাহাটীত স্বৰ্গদেউ চাওলুং

আছুতীয়া পুঁজিৰে আহোম ৰাজবংশৰ প্ৰতিষ্ঠাতাগৰাকীৰ এই সুবিশাল প্ৰতিমূৰ্তি নিৰ্মাণ কৰি উলিওৱা হৈছে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই পৱিত্ৰ মে-ডাম মে-ফী উপলক্ষে জাতিটোক গঢ় দিয়া পূৰ্বপুৰুষসকলৰ প্ৰতিশ্ৰদ্ধা নিবেদন কৰাৰ লগতে টাই আহোম জনগোষ্ঠীৰ লোকসকলকে ধৰি সমগ্ৰ অসমবাসীলৈ শুভকামনা জাপন কৰে। বৃহত্তৰ গুৱাহাটী কেন্দ্ৰীয় মে-ডাম মে-ফী উডযাপন সমিতিৰ মে-ডাম মে-ফী উদযাপনস্থলীৰ প্ৰাংগণত বৰ অসমৰ ভেটি গঢ়োঁতা স্বৰ্গদেউ চাওলুং চুকাফাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিবলৈ পোৱাটো এক গৌৰৱ আৰু প্ৰাপ্তিৰ মুহূৰ্ত বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে। তেওঁ কয় যে খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে চাওলুং চুকাফাৰ নেতৃত্বত টাই আহোমসকলৰ আগমনে অসমৰ সামাজিক-সাংস্কৃতিক জীৱন তথা অসমীয়া জাতিৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিছিল। চাওলুং চুকাফাই ১২২৮ খ্ৰীষ্টাব্দত সৈন্য-সামন্ত লগত লৈ পাটকাই পৰ্বত পাৰ হৈ এই ভূ-খণ্ডত উপস্থিত হৈ আঘোণ মাহৰ পকা ধাননিৰ বিস্তীৰ্ণ এলেকা দেখি এই ঠাইখনক 'মুং ডুন চুন খাম' অৰ্থাৎ 'সোণোৱালী শইচৰ দেশ' বুলি কৈছিল। তেওঁ সদলবলে পশ্চিমৰ দিশে আগবাঢ়ি এই ভূ-খণ্ডত নিজৰ বসতি স্থাপন কৰিছিল। চৰাইদেউত ৰাজধানী পাতি অসমীয়া মানুহৰ এক নতুন ইতিহাসৰ পাতনি মেলিছিল। চুকাফাৰ অসম আগমনৰ পূৰ্বেই এই অঞ্চলত মৰাণ, বৰাহী, চুতীয়া, কছাৰী আদি জনগোষ্ঠীয়ে বসতি কৰিছিল। এই ভূ-খণ্ডত থিতাপি লৈ চাওলুং চুকাফাই পূৰ্বৰে পৰা বসবাস কৰি থকা জনগোষ্ঠীসমূহৰ লগত সম্পৰ্ক স্থাপন কৰিলে আৰু সকলোৰে লগ হৈ সমন্বয়ৰ এক বৰভেটি নিৰ্মাণ কৰিলে। এনেকৈয়ে অসমীয়াৰ জাতীয় পৰিচয়ৰ আৰম্ভণি হ'ল। তেতিয়াৰ পৰা এতিয়ালৈ আমাৰ জাতিটোৰ এই বৰ্ণিল ইতিহাসৰ বিষয়ে আমি সকলোৰে অৱগত বুলি মন্তব্য কৰি তেওঁ কয় যে আমাৰ সংঘাত-সম্পদ, হৰ্ষ-বিষাদৰ মুহূৰ্তবোৰৰ আমি সকলো একেলগে সাক্ষী হৈ আহিছোঁ। জাতিটোৰ অগ্ৰগতি দেখিলে যেনেকৈ আমি চাওলুং চুকাফাৰ প্ৰতি কৃতজ্ঞতা জনাওঁ, একেদৰে জাতিটোলৈ সংকট আহিলেও তেওঁ দেখুৱাই যোৱা আদৰ্শৰ পৰা প্ৰেৰণা বুটলিবলৈ প্ৰয়াস কৰোঁ। আমাৰ জাতীয় জীৱন আৰু বৰ অসম নিৰ্মাতা স্বৰ্গদেউ চাওলুং চুকাফা আমাৰ সকলোৰে প্ৰেৰণাৰ প্ৰতীক আৰু সৰ্বকালৰ আদৰ্শ পুৰুষ। সিংহাসনত অধিষ্ঠিত হৈ থকা এইগৰাকী মহামনীষীৰ এক পূৰ্ণাবয়ব প্ৰতিমূৰ্তি গুৱাহাটীৰ মাজমজিয়াত প্ৰতিষ্ঠা হোৱাটো অত্যন্ত প্ৰয়োজনীয় পদক্ষেপ বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজিৰ পৰা কিছু বছৰ পূৰ্বে মে-ডাম মে-ফীত অংশ লোৱাৰ বাবে এই অঞ্চললৈ আহোঁতে গুৱাহাটীৰ টাই আহোম জনগোষ্ঠীৰ লোকসকলক এই সমগ্ৰ ক্ষেত্ৰখনৰ উন্নয়নৰ পৰামৰ্শ আগবঢ়াইছিলোঁ। মুখ্যমন্ত্ৰীয়ে লগতে কয়, কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই বৃহত্তৰ গুৱাহাটী কেন্দ্ৰীয় মে-ডাম-মে-ফী উদযাপন সমিতিৰ সৈতে মিলি এই ক্ষেত্ৰখনৰ উন্নয়নৰ বাবে কাম কৰিছে। এই ক্ষেত্ৰখন আজি উন্নয়নৰ দিশে আগবাঢ়িছে। নটবমাৰ এই ক্ষেত্ৰখনৰ বাবে পৱিত্ৰ মাৰ্ঘেৰিটা আৰু মই লগলাগি আৰু ২ কোটি টকা অনুমোদন দিম, যাতে ইয়াৰ অভাৱ-অভিযোগসমূহ দূৰ হয়। গুৱাহাটীলৈ অহা বাহিৰৰ কোনো পৰ্যটকে ছশ বছৰীয়া আহোম ৰাজত্বৰ বিষয়ে জানিব খুজিলে দেখুৱাবলৈ একো নাছিল বুলি মন্তব্য কৰি তেওঁ কয় যে আজি নটবমাত এই ক্ষেত্ৰখনৰ উন্নয়নে এই অভাৱ কিঞ্চিৎ হ'লেও দূৰ কৰিব। এইক্ষেত্ৰৰ উন্নয়নৰ বাবে ৰাজ্যসভাৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ সহযোগত অতিৰিক্ত দুই কোটি টকা অনুদান আগবঢ়োৱা হ'ব বুলি তেওঁ ঘোষণা কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, সাংসদ প্ৰদান বৰুৱা আৰু মে-ডাম মে-ফী উদযাপন সমিতিৰ সভাপতি নিতুল গগৈকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

সম্পাদকীয় শিতান.. দেৱাশীষ গোস্বামী, নগাঁও

# আপুনি Mosquito নে Repellent?




Mosquito বা মহ, নামটো শুনাৰ লগে লগে আমাৰ শৰীৰৰ কোনোবাটো অংশত অকনমান খজুৱতি অনুভৱ নহয়নে বাৰু? সুখ নিদ্ৰাৰ আমেজ লৈ থাকোতে কাণৰ কাষত যেতিয়া মহ দুটামানে গান গাই থাকে, কেনেকুৱা অনুভৱ হয় বাৰু? আমাৰ দেহৰ অমূল্য তেজ কণ শুহিবলৈকে কেৱল মাত্ৰ সময় নাই অসময় নাই আমাক চাপৰি বজাই থাকিবলৈ বাধ্য কৰোৱা, মাৰি থাকিলেও লানি নিছিগা তেনেই অসহ্যকৰ এই মহ নামৰ প্ৰাণীবিধৰ জন্ম নহয়নে বাৰু? (জৈৱ বৈচিত্ৰৰ প্ৰতি থকা অৱদানৰ পৰা আঁতৰি) Malaria, Dengue, Chikungunya, Zika, West Nile Virus আদি মাৰাত্মক ব্যাধিবোৰৰ মূলতে পৃথিৱীৰ আৱৰ্জনা এই মহ নামৰ প্ৰাণীবিধেই যাৰ বাবে সমগ্ৰ পৃথিৱীত বছৰি প্ৰায় ৭, ০০, ০০০ মানুহ মৃত্যু মুখত পৰে। মুঠতে আপদীয়া, আহুকাল সৃষ্টিকাৰী এইবিধ প্ৰাণীৰ নামেই হ'ল মহ। নিশব্দে মানৱ দেহৰ তেজ শুহি এক নিৰাপদ দূৰত্বত অৱস্থান কৰাৰ পিছতহে আমি গম পাওঁ যেতিয়া তেজ শুহি নিয়া ঠাইকনত খজুৱতিৰ সৃষ্টি হয়।

এই আপদীয়া প্ৰাণীবিধৰ পৰা আমাৰ অতি মৰমৰ ঘৰখন ৰক্ষা কৰিবলৈ Good Night, All Out, Mortein, Maxo ইত্যাদি ক'ত যে Repellent অৰ যোগাৰ। বজাৰত এই অদৰকাৰী, আহুকলীয়া প্ৰাণীবিধক দূৰতে বিদূৰ কৰি ৰাখিবলৈ নানা Brand অৰ Liquidator, ধূপ, ক্ৰীম আদিৰ পায়োভৰ। আমাৰ কষ্টোপাৰ্জিত ধনৰ এক বুজন অংশ Mosquito Repellent অৰ নামত ব্যয় কৰিবলগীয়া হয় কেৱল মাত্ৰ মহ বা Mosquito নামৰ প্ৰাণীবিধৰ পৰা নিজৰ লগতে ঘৰখনৰ সকলো সদস্যকে সুৰক্ষিত কৰি ৰাখিবলৈ, ঠিক যেনেদৰে আমাৰ চাৰিওফালে অনবৰতে টিঘিলঘিলাই, পিয়াপি দি ফুৰা, আনৰ তেজ টুপি শুহিবলৈ সুযোগৰ অপেক্ষাত থকা মানৱ ৰূপি দুঠেঙীয়া মহৰ পৰা নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ অৱলম্বণ কৰা বিভিন্ন PreCaution অৰ দৰে। উদাহৰণস্বৰূপে-CCTV, Video Door Bell, Hidden Camera, Highly Secured Upgraded Locks ইত্যাদি।

বহুক্ষেত্ৰত আমি নিজেও Mosquito Repellent অৰ ভূমিকা পালন কৰিবলগীয়া হয় সমাজৰ কিছুমান মাৰাত্মক দুঠেঙীয়া তেজ শুহা মহৰ পৰা নিজকে ৰক্ষা কৰিবলৈ।

পিছে আহকচোন আত্মবিশ্লেষণ কৰো, আপুনি, মই, আমিবোৰ Mosquito নে Mosquito Repellent কোনবিধ চৰিত্ৰৰ অধিকাৰী।

# নিউজিলেণ্ডক ৪৬ ৰানত পৰাস্ত কৰে ভাৰতে




ৰঙিলী বাৰ্তাসেৱা- ঘৰুৱা দল টীম ইণ্ডিয়াই নিউজিলেণ্ডৰে খেলা পাঁচখনীয়া টি-২০ মেচৰ শৃংখলাটো ( তিনিপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত কেইবাটাও প্ৰকল্পৰ শিলন্যাস কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ



ৰঙিলী বাৰ্তাসেৱা- দুদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বৃহস্পতিবাৰে মাজনিশা বিশেষ বিমানেৰে ডিব্ৰুগড়ত উপস্থিত হয়। নিশাটো ডিব্ৰুগড়তে কটাই শুকুৰবাৰে ডিব্ৰুগড়ৰ খনিকৰ পেৰেড গ্ৰাউণ্ডত আয়োজিত এক বিশাল জনসভাত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। এই সভাতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুঠ ১,৭১৫ কোটি টকা ব্যয় সাপেক্ষ ৫টা প্ৰকল্পৰ শিল্যান্যাস-উদ্বোধন কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নিজৰ ভাষণ আৰম্ভ কৰি ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী কৰিবলৈ চেষ্টা কৰা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ডিব্ৰুগড়ৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জনায় । উল্লেখ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে ২৮৪ কোটি টকা ব্যয় সাপেক্ষ ডিব্ৰুগড়ত দ্বিতীয়টো বিধানসভা ভৱন-বিধায়ক আৱাস, ২৯২ কোটি টকা ব্যয়ৰে দিনজানৰ ১১৭ বিঘাৰো অধিক ভূমিত নিৰ্মাণ হ'বলগীয়া বন্যপ্ৰাণী স্বাস্থ্য-গৱেষণা প্ৰতিষ্ঠান, ২০৯ কোটি টকা ব্যয়ৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ শিলান্যাস কৰাৰ বিপৰীতে ২৩৮ কোটি টকা ব্যয়ৰে বহুমুখী ক্ৰীড়া প্ৰকল্পটোৰ প্ৰথম পৰ্যায় আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত ৬৯২ কোটি টকা ব্যয়ৰে ৰূপায়ণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰুদ্ধাৰ-পুনৰুজ্জীৱিতকৰণ প্ৰকল্পৰ উদ্বোধন কৰে। অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২৫ চনত ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী কৰাৰ কথা ঘোষণা কৰিছিল। কংগ্ৰেছ চৰকাৰৰ আমোলত ঘোষণা কেৱল ঘোষণা হৈয়েই থাকিছিল। কিন্তু এতিয়া ক্ষমতাত আমাৰ দল। মুখ্যমন্ত্ৰী ড° শৰ্মাই কৰা ঘোষণা মতে ৫৭ বিঘা ভূমিত অসমৰ দ্বিতীয় বিধানসভা চৌহদৰ শিল্যানাস কৰা হৈছে। এতিয়া ডিব্ৰুগড়বাসীয়ো অসমৰ ৰাজধানীৰ বাসিন্দা হিচাপে পৰিচিত হ'ব। সেইদৰে অসমৰ জলাশয়সমূহৰ পুনৰুদ্ধাৰ-পুনৰুজ্জীৱিতকৰণ প্ৰকল্প সন্দৰ্ভত তেওঁ কয় যে অসমৰ নদীসমূহ আমাৰ সাংস্কৃতিক ঐতিহ্য, কৃষকসকলৰ অৰ্থনৈতিক মেৰুদণ্ড আৰু মাতৃসদৃশ। বছৰৰ পিছত বছৰ ধৰি অসম বানৰ কবলত পৰি আছে। বানৰ পৰা অসমক ৰক্ষা কৰাৰ কাৰণে স্পেচ এপ্লিকেচন চেণ্টাৰে ৰাজ্যত এটা জৰীপ সম্পন্ন কৰিছে। এই জৰীপৰ ভিত্তিতে চিহ্নিত কৰা হৈছে বৃহৎ

(দহ পৃষ্ঠাত চাওক)

# অমৃতপ্ৰভা মহন্ত আৰু দুই দেহৰক্ষীৰ জামিন আবেদন নাকচ



ৰঙিলী বাৰ্তাসেৱা- প্ৰাণৰ শিল্পী জুবিন গাৰ্গ হত্যাকাণ্ডৰ পঞ্চমটো শুনানি কামৰূপ মহানগৰ জিলাৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত সম্পন্ন হয়। আদালতে শুনানি গ্ৰহণৰ অন্তত হত্যাকাণ্ডৰ গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন হিচাপে অহা ১৩ ফেব্ৰুৱাৰীৰ দিনটো ধাৰ্য কৰে। উল্লেখ্য যে আদালতে হত্যাকাণ্ডত অভিযুক্ত অমৃতপ্ৰভা মহন্ত আৰু দুই দেহৰক্ষী ক্ৰমে নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন সন্দৰ্ভত শুনানি গ্ৰহণ কৰে যদিও আদালতে তিনিওজন অভিযুক্তৰ আবেদন নাকচ কৰে। এই সন্দৰ্ভত চৰকাৰী লোক অধিবক্তা জিয়াউল কামাৰে কয় যে অমৃতপ্ৰভা মহন্ত জুবিন গাৰ্গ হত্যাকাণ্ডৰ ষড়যন্ত্ৰত জড়িত থকাৰ সকলো তথ্য-প্ৰমাণ এছআইটিয়ে আদালতত জমা দিছে। অমৃতপ্ৰভা মহন্তই ষড়যন্ত্ৰত জড়িত থকাৰ কথা অনুধাৱন কৰিয়ে তেওঁৰ জামিন আবেদন নাকচ কৰা হৈছে। একেদৰে দেহৰক্ষীদ্বয়ৰ ক্ষেত্ৰতো জামিন লাভ কৰাটো একপ্ৰকাৰ নিশ্চিত আছিল যদিও লোক অধিবক্তা জিয়াউল কামাৰে জানিবলৈ দিয়া মতে, হত্যাৰ লগতে অৰ্থনৈতিক খেলিমেলিৰ এটা

(দহ পৃষ্ঠাত চাওক)

# বাজপেয়ী ভৱনত কৰ্ণধাৰ সমিতিৰে অমিত শ্বাহৰ বৈঠকত



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় আৰু ধেমাজিত দুখনকৈ বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণৰ পাছত দিল্লীলৈ ওভতাৰ পূৰ্বে গৃহমন্ত্ৰী অমিত শ্বাহে শুকুৰবাৰে সন্ধিয়া গুৱাহাটীৰ বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত উপস্থিত হৈ দলৰ কৰ্ণধাৰ সমিতিৰ বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত আগন্তুক বিধানসভা নিৰ্বাচনৰ ৰণনীতি সন্দৰ্ভত বিশদ আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াকে ধৰি কৰ্ণাধাৰ সমিতিৰ ২৫জন নেতাৰ সৈতে বহা এই বৈঠকত দলৰ নিৰ্বাচনী প্ৰভাৰী বৈজয়ন্ত জয়পাণ্ডা, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদীকে ধৰি ৰাজ্যিক নেতৃত্বও উপস্থিত থাকে। এই বৈঠকতে গৃহমন্ত্ৰীগৰাকীয়ে আগন্তুক নিৰ্বাচনত এনডিএ হিচাপে অৱতীৰ্ণ হোৱাৰ নিৰ্দেশ দিয়াৰ লগতে মিত্ৰজোঁটৰ সৈতে আসন বুজাবুজিৰ প্ৰক্ৰিয়া খুব মসৃণভাৱে সম্পূৰ্ণ কৰাৰ পৰামৰ্শ দিয়ে। মুখ্যতঃ তৃতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ লক্ষ্যৰে নিৰ্বাচনৰ প্ৰস্তুতি চলাবলৈ কেইবাটাও পৰামৰ্শ দিয়া গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰতো কিছু

(দহ পৃষ্ঠাত চাওক)

# নিউজিলেণ্ডক ৪৬ ৰানত

৪-১ত হস্তগত কৰে। তিৰুবনন্তপুৰমত অনুষ্ঠিত শৃংখলাটোৰ পঞ্চম তথা অন্তিমখন মেচত ভাৰতে ৪৬ ৰানত নিউজিলেণ্ডক পৰাস্ত কৰে। মেচখনত টীম ইণ্ডিয়াই জয়ৰ বাবে বান্ধি দিয়া ২৭২ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অ'পেনাৰ ফিন এলেনৰ ৩৮ বলত ৮০, ইছ সোধীৰ ৩৩ আৰু ৰাচিন ৰবীন্দ্ৰৰ ৩৮ ৰানৰ সহায়ত নিউজিলেণ্ডে ১৯.৪ অভাৰত ২২৫ ৰান কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি ঈশান কিশনৰ বিস্ফোৰক শতক আৰু অধিনায়ক সূৰ্যকুমাৰ যাদৱৰ অৰ্ধশতকৰ সহায়ত টীম ইণ্ডিয়াই নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২৭১ ৰান সংগ্ৰহ কৰে। ইনিংছ আৰম্ভণি সুখকৰ নাছিল ভাৰতৰ। দলীয় স্ক'ৰ ৪৮ ৰানত অ'পেনাৰদ্বয় সঞ্জু ছেমছন আৰু অভিষেক শৰ্মাৰ উইকেট হেৰুৱাই ভাৰতে। সঞ্জুৱে মাত্ৰ ৬ ৰান কৰি বিদায় লয়। ইফালে অভিষেকে ৩০ ৰানৰ অৱদান আগবঢ়ায়। অৱশ্যে শতক অৰ্জন কৰা ঈশানে সূৰ্যকুমাৰৰ সৈতে তৃতীয় উইকেটত ১৩৭ ৰান সংগ্ৰহ কৰি দলক শক্তিশালী স্থিতিত উপনীত কৰায়। সূৰ্যকুমাৰে ৩০টা বলত ৬৩ ৰান কৰি বিদায় লোৱাৰ বিপৰীতে ঈশানে ৪৩টা বলত ৬টা চাৰি আৰু ১০টা ছয়েৰে ১০৩ ৰান কৰে। ইফালে হাৰ্দিক পাণ্ড্যিয়াই ১৭টা বলত ৪২ ৰান সংগ্ৰহ কৰি দলক শক্তিশালী স্থিতিত উপনীত কৰায়। ৰিংকু সিঙে ৮ আৰু শিৱম ডুবেই ৭ৰান কৰি অপৰাজিত হৈ থাকে। ভাৰতৰ হৈ অৰ্শ্বদীপ সিঙে সৰ্বাধিক ৫টা উইকেট লাভ কৰাৰ লগতে অক্ষৰ পেটেলে ৩টা, বৰুণ চক্ৰৱৰ্তী আৰু ৰিংকু সিং উভয়ে এটাকৈ উইকেট লাভ কৰে।

# মাজুলীৰ জলসিঞ্চন উপ-সংমণ্ডলৰ ১৩ গৰাকী অৱসৰপ্ৰাপ্ত বিষয়া কৰ্মচাৰীক বিদায় সম্বৰ্ধনা



ৰঙিলী বাৰ্তাসেৱা- মাজুলী জলসিঞ্চন উপ সংমণ্ডলৰ সদ্য অৱসৰপ্ৰাপ্ত ১৩ গৰাকী বিষয়া-কৰ্মচাৰীক যোৱা ২৬ জানুৱাৰীত গণৰাজ্য দিৱসৰ দিনাই আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। মাজুলীৰ জলসিঞ্চন উপ সংমণ্ডলৰ মুখ্য কাৰ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হোৱা উক্ত বিদায় সম্বৰ্ধনা অনুষ্ঠানটো বিভাগৰ উচ্চবৰ্গৰ সহায়ক নৰেন শইকীয়াই আঁত ধৰে। উক্ত আবেগিক সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে মাজুলী জলসিঞ্চন বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ইন্দ্ৰ কান্ত পাংগিঙে। অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ বিদায় সম্বৰ্ধনা অনুষ্ঠানত মাজুলীৰ জলসিঞ্চন উপ সংমণ্ডলৰ সদ্য অৱসৰপ্ৰাপ্ত কৰ্মচাৰী কেশৱ বৰা, ধনীৰাম শইকীয়া, নন্দেশ্বৰ বৰা, ধৰ্মেশ্বৰ বৰা, কনক চন্দ্ৰ শইকীয়া, বকুল নৰহ, সুৰেন শইকীয়া, তৰুণ গায়ন, নীৰেন বৰুৱা, ৰাজেন শৰ্মা, জয়না মোহন দাস, অতুল শইকীয়া, ধৰ্মেশ্বৰ বৰা আৰু ললিত চন্দ্ৰ বৰাক আনুষ্ঠানিকভাৱে ভাৱে সম্বৰ্ধনা জনোৱা হয়। বিভাগটোৱে আগবঢ়োৱা অংগবস্ত্ৰ, গীতা শাস্ত্ৰ, শৰাই আৰু সম্বৰ্ধনা পত্ৰৰে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। অনুষ্ঠানটো


(দহ পৃষ্ঠাত চাওক)

# মিঞা প্ৰসংগক লৈ পুনৰ সৰৱ হৈ পৰিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



ৰঙিলী বাৰ্তাসেৱা- নিৰ্বাচনৰ প্ৰাক্কণত পুনৰ মিঞা প্ৰসংগক লৈ সৰৱ হৈ পৰিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। গোলাঘাটত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- মিঞাই অসমক গ্ৰাস কৰিছে বুলি মই কোৱা নাই। আইএমডিটিৰ ৰায়ৰ পৃষ্ঠাই পৃষ্ঠাই এই কথা কৈ থৈছে উচ্চতম ন্যায়ালয়ে। বাংলাদেশৰ পৰা যিসকল লোক আহিছে, তেওঁলোকে নিজেই নিজকে মিঞা বুলি উল্লেখ কৰে। এই নাম মই দিয়া নাই। বুধবাৰে ডিমৌত অনুষ্ঠিত এক জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে কৰা এটা মন্তব্যক কেন্দ্ৰ কৰি ৰাজ্যৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়তো প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ডিমৌৰ জনসভাত মুখ্যমন্ত্ৰীয়ে যিকোনো প্ৰকাৰে মিঞাসকলক কষ্ট দিব লাগে বুলি মন্তব্য কৰে। উদাহৰণস্বৰূপে, ৫ টকা ভাড়া হ'লে মিঞা ৰিক্সাবালাক ৪ টকা দিবলৈ ৰাইজক পৰামৰ্শ দিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে। এই ভাষণৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ লগে লগে তীব্ৰ বিতৰ্ক হৈছে। মুখ্যমন্ত্ৰীৰ এনে মন্তব্যক বিভাজনৰ ৰাজনীতি আৰু সমাজত ঘৃণা বিয়পোৱাৰ এক কৌশল বুলি অভিহিত কৰিছে বিৰোধীয়ে। এই মন্তব্যক তীব্ৰ গৰিহণা দিছে একাংশই। এনে বিতৰ্কৰ মাজতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- উচ্চতম ন্যায়ালয়ে ৰায়ত উল্লেখ কৰিছে যে বৰ্তমান অসম বাংলাদেশৰ আক্ৰমণকাৰীৰ লক্ষ্য হৈ পৰিছে। বাংলাদেশৰ পৰা এই লোকসকলে আহি অসমখনক আক্ৰমণ কৰি আছে। এয়া মোৰ ভাষা নহয়, ( নপৃষ্ঠাত চাওক)

# ৰাষ্ট্ৰীয় মৰ্যাদাৰে শেষকৃত্য সম্পন্ন অজিত পাৱাৰৰ





ৰঙিলী বাৰ্তাসেৱা- পঞ্চভূতত বিলীন মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰ। বুধবাৰে এক শোকাৱহ বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ শেষকৃত্য পুনে জিলাৰ বাৰামতীৰ বিদ্যা প্ৰতিষ্ঠান বাকৰিত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়। উপ-মুখ্যমন্ত্ৰীগৰাকীৰ মুখাগ্নি দুই পুত্ৰ ক্ৰমে পাৰ্থ আৰু জয়ে কৰে। বুধবাৰে এক কৰুণ বিমান দুৰ্ঘটনাত মৃত্যু হয় মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী তথা নেচনেলিষ্ট কংগ্ৰেছ পাৰ্টি (এন চি পি)ৰ ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত অসম পেট্ৰ'কেমিকেলছ লিমিটেড-দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ

ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত বৃহস্পতিবাৰে সন্ধিয়া ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত অসম পেট্ৰ'কেমিকেলছ লিমিটেড আৰু দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ মাজত গুজৰাটৰ কান্দলা বন্দৰত এটি অত্যাধুনিক ই-মিথানল প্ৰকল্প স্থাপনৰ বাবে এখন গুৰুত্বপূৰ্ণ বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অসম পেট্ৰ'-কেমিকেলচ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা আৰু কান্দলাস্থিত দীনদয়াল বন্দৰ কৰ্তৃপক্ষৰ অধ্যক্ষ সুশীল কুমাৰ সিঙে ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত অনুষ্ঠিত কাৰ্যসূচীত এই বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে গুজৰাটৰ কান্দলাস্থিত দীনদয়াল বন্দৰত নিৰ্মাণ হ'ব অসম পেট্ৰ'-কেমিকেলচ লিমিটেডৰ এটা গুৰুত্বপূৰ্ণ প্ৰকল্প। এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, শক্তি আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক পোনাকণ বৰুৱা আৰু তৰংগ গগৈ, দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ অধ্যক্ষ সুশীল কুমাৰ সিং, অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল চন্দ্ৰ ডেকাকে ধৰি অন্যান্য প্ৰতিনিধিসকল, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াকে ধৰি অন্য কেইবাগৰাকীও গণ্য-মান্য লোক উপস্থিত থাকে। এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আজিৰ এই পদক্ষেপ অসমৰ বাবে এক ঐতিহাসিক মাইলৰ খুঁটি। এই প্ৰকল্পটোৱে ৰাজ্যৰ সীমাৰ পৰিধি



অতিক্ৰমী ৰাষ্ট্ৰীয় পৰ্যায়ৰ গুৰুত্বপূৰ্ণ প্ৰকল্পত অসমৰ ক্ৰমবৰ্ধমান অংশগ্ৰহণৰ এক শক্তিশালী নিদৰ্শন দাঙি ধৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে অসমে যে ভাৰতৰ দীৰ্ঘম্যাদী অৰ্থনৈতিক আৰু পাৰিপাৰ্শ্বিক প্ৰাধান্যতাসমূহৰ বাস্তৱায়িত-কৰণত অৰ্থৱহ অৱদান যোগাব পাৰে, সেই কথাও এই চুক্তিখনৰ জৰিয়তে প্ৰতিফলিত হৈছে। দেশত শূন্য কাৰ্বন নিৰ্গমনৰ যি লক্ষ্য প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিৰ্ধাৰণ কৰিছে, তাৰ প্ৰতি অসম চৰকাৰৰ দায়বদ্ধতাৰ কথা দোহাৰি তেওঁ কয় যে স্বচ্ছ শক্তি আৰু সেউজ পৰিবহণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা নীতিসমূহ কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় দৰ্শনৰ সৈতে সংগতিপূৰ্ণ। ই-মিথানলক জাহাজ পৰিবহণ খণ্ডত কাৰ্বন নিৰ্গমন হ্ৰাস কৰাৰ এক অন্যতম সেউজ ইন্ধন হিচাপে গণ্য কৰা হয় বুলি উল্লেখ কৰি তেওঁ কয় যে কান্দলা বন্দৰত এই প্ৰকল্পটোৰ অংশীদাৰ হৈ অসমে ভাৰতৰ কাৰ্বন নিৰ্গমনৰ 'নেট জিৰো' লক্ষ্য প্ৰাপ্তিত প্ৰত্যক্ষভাৱে অৱদান আগবঢ়াব। দেশৰ ভিতৰত প্ৰথমবাৰৰ বাবে প্ৰাকৃতিক গেছক ফীড ষ্টক হিচাপে ব্যৱহাৰ কৰি মিথানল উৎপাদন কৰা অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ পাঁচ দশকৰ গৰ্বিত ইতিহাসৰ কথা ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত ৰেডক্ৰছ চ'ছাইটিৰ উদ্যোগত চি আই এছ এফ আৰু বি চি পি এল ইউনিটত চকু পৰীক্ষা সম্পন্ন

ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ ডিব্ৰুগড় শাখাৰ উদ্যোগত আজি এক চকু পৰীক্ষা আৰু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। শিবিৰ অনুষ্ঠানত অসম চিকিৎসা মহাবিদ্যালয়ৰ নেত্ৰৰোগ বিভাগৰ সহযোগিতাত আৰু চি, আই, এছ, এফ, বি, চি, পি, এল ইউনিটৰ ঘনিষ্ঠ সমন্বয়ত চি, আই, এছ, এফ টাউনশ্বিপ, লেপেটকটা, ডিব্ৰুগড় চৌহদত আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ, ডিব্ৰুগড়ৰ সভাপতি ড° পঙ্কজ




কুমাৰ শ্ৰুতিকৰে উপস্থিত সকলোকে আদৰণি জনাই জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে চকুৰ গুৰুত্বৰ বিষয়ে কয়। তেওঁ কয় যে কঠোৰ দায়িত্ব আৰু ব্যস্ত কৰ্তব্যৰ বাবে নিৰাপত্তা কৰ্মীসকল বহু সময়ত নিয়মিত চিকিৎসা সুবিধাৰ পৰা বঞ্চিত হয়। সেয়ে এই শিবিৰৰ জৰিয়তে ৰেডক্ৰছ ( নপৃষ্ঠাত চাওক)

# আজি কেন্দ্ৰীয় বাজেট

মূল অৰ্থনৈতিক পৰিসংখ্যা আৰু চৰকাৰৰ উন্নয়নমূলক পৰিকল্পনাসমূহ দাঙি ধৰিব। নিম্ন সদনত বাজেট দাখিলৰ পিছত ৰাজ্যসভাত দাখিল কৰা হ'ব বাজেটৰ প্ৰতিলিপি। ২০১৯ চনত বাজেট ধাৰ্য কৰাৰ পিছত নিৰ্মলা সীতাৰমণে একেৰাহে নৱমবাৰৰ বাবে সদনত দাখিল কৰিব কেন্দ্ৰীয় বাজেট। এইখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ তৃতীয় কাৰ্যকালৰ তৃতীয়খন বাজেট। সংসদত বাজেটখন সম্পূৰ্ণ হোৱাৰ পিছতে ম'বাইল এপ আৰু ৱেবছাইটত বাজেটৰ নথি-পত্ৰ উপলব্ধ হ'ব। কেন্দ্ৰীয় বাজেট দাখিল কৰাৰ পিছত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে দেশৰ প্ৰায় ৩০জন কলেজীয়া শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰিব। ২০২৬ চনৰ বাজেট প্ৰস্তুত কৰাৰ পূৰ্বে বিত্তমন্ত্ৰী সীতাৰমণে অৰ্থনীতিবিদ, ট্ৰেড ইউনিয়ন, শিক্ষা আৰু স্বাস্থ্যখণ্ড, এমএছএমই, বাণিজ্য আৰু সেৱা, উদ্যোগ, বিত্তীয় খণ্ড আৰু মূলধনী বজাৰৰ বিশেষজ্ঞ তথা প্ৰতিনিধিকে ধৰি যথেষ্টসংখ্যক অংশীদাৰীৰ সৈতে আলোচনাত মিলিত হয়। সমান্তৰালভাৱে কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানেও বাজেটৰ পূৰ্বে কৃষি আৰু গ্ৰামোন্নয়নৰ সৈতে জড়িত বিভিন্ন দিশৰ বিস্তৃত আলোচনা অনুষ্ঠিত কৰি বিত্তমন্ত্ৰীক পৰামৰ্শ সংকলিত প্ৰতিবেদন দাখিল কৰিছে। এই বাজেট প্ৰস্তুত কৰাৰ সময়ছোৱাত বিভিন্ন মঞ্চৰ সৈতে জড়িত যুৱক-যুৱতীকে ধৰি নাগৰিকসকলৰ পৰা বিভিন্ন ইনপুট বিচৰা হৈছে। এই ইনপুটসমূহ আজি দাখিল হ'বলগীয়া ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত প্ৰতিফলিত হ'ব। এইবাৰৰ বাজেটত মূলতঃ উৎপাদন, প্ৰতিৰক্ষা, নৱীকৰণযোগ্য শক্তি, এমএছএমই আৰু অটোখণ্ডৰ ওপৰত গুৰুত্ব দিয়াৰ আশা কৰা হৈছে।

# বীৰ চিলাৰায়ৰ



বন্দিতা শৰ্মা কন্দলি

মৰমৰ মইনাহঁত, তোমালোকে বীৰ চিলাৰায়ৰ নাম নিশ্চয় শুনিছাহু প্ৰাচীন কামৰূপ কমতা ৰাজ্যৰ কোঁচ বংশৰ মহান পণ্ডিত, প্ৰবল প্ৰতাপী যোদ্ধা, সেনাপতি বীৰ চিলাৰায়ে ১৫১০ খ্ৰীষ্টাব্দৰ মাঘী পূৰ্ণিমাৰ দিনা জন্মগ্ৰহণ কৰিছিল। তেওঁ কোঁচ ৰাজবংশৰ প্ৰতিষ্ঠাপক ৰজা বিশ্ব সিংহৰ পুত্ৰ আৰু ৰজা নৰনাৰায়ণৰ ভাতৃ। তেওঁৰ প্ৰকৃত নাম আছিল শুক্লধ্বজ।

বাৰাণসীৰ ব্ৰহ্মাণ্ড সন্ন্যাসীৰ আশ্ৰমত থাকি নৰনাৰায়ণ আৰু শুক্লধ্বজে গুৰুকুল শিক্ষা পদ্ধতিত ব্যাকৰণ, সাহিত্য,জ্যোতিষ, ধৰ্মশাস্ত্ৰ, অসিছালনা, মল্লযুদ্ধ আদিত বিশেষ পাৰদৰ্শিতা অৰ্জন কৰিছিল। ১৫৪০ খ্ৰীষ্টাব্দত পিতৃৰ মৃত্যুৰ পিছত দুয়োজনে শিক্ষা গ্ৰহণ সিমানতে সামৰি নৰনাৰায়ণ ৰাজপাটত বহে আৰু শুক্লধ্বজে সেনাপতিৰ দায়িত্ব মূৰ পাতি লয়। প্ৰথমতে তেওঁ আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ স্থিৰ কৰি কোচবিহাৰৰ পৰা নাৰায়ণপুৰলৈ ৩৫০ মাইল দীঘল এটা আলিবাট বান্ধোৱাৰ ব্যৱস্থা কৰে। ১৫৪৬ খ্ৰীষ্টাব্দত সেই আলিয়েদিয়েই আগুৱাই গৈ আহোম ৰাজ্য আক্ৰমণ কৰে। জানিবলৈ পোৱা যায় যে শুক্লধ্বজে যুদ্ধক্ষেত্ৰত চিলনীৰ দৰে চোঁ মাৰি গৈ শত্ৰুৰ ওপৰত জঁপিয়াই পৰিছিল। সেয়ে তেওঁৰ নাম চিলাৰায় হয়। কোনো কোনোৰ মতে আকৌ চিলা উৰাদি উৰি গৈ শত্ৰুক আক্ৰমণ কৰে বাবে তেওঁৰ নাম চিলাৰায় ৰখা হয়। ১৫৬৩ খ্ৰীষ্টাব্দত আহোম ৰাজ্য আক্ৰমণ কৰি আহোমৰ ৰাজধানী গড়গাঁও দখল কৰে। তাৰ পিছত তেওঁ এখন এখনকৈ ৰাজ্য জয় কৰি ভৱিষ্যতে এখন বৃহত্তৰ অসমীয়া সমাজ গঠন কৰাই ৰাজ্য জয়ৰ মূল উদ্দেশ্য আছিল।

চিলাৰায় কেৱল এজন নিপুণ যোদ্ধাই নাছিল, তেওঁ সাহিত্য, কলা, সংগীত, ধৰ্ম চৰ্চা, সমাজসেৱা আদি বিভিন্ন ক্ষেত্ৰত অভূতপূৰ্ব খ্যাতি অৰ্জন কৰিছিল। তেওঁৰ তত্বাৱধানতে সেই সময়ৰ কোঁচৰাজ্য কমতাপুৰৰ ৰাজসভাত থকা বহুকেইজন বৈষ্ণৱ কবি নাট্যকাৰৰ কাব্য, গীত, নাট আদি ৰচনা হৈছিল। চিলাৰায়ে শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰতি মুগ্ধ হৈ শংকৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰে। সেই সময়তে শংকৰদেৱে বহুকেইখন মূল্যবান গ্ৰন্থ ৰচনা কৰিছিল। চিলাৰায়ৰ উদগনিতে কবি পীতাম্বৰে ভাগৱতৰ "দশম স্কন্ধ" ৰচনা কৰিছিল। কবি ৰাম সৰস্বতীয়ে চিলাৰায়ৰ অনুৰোধতে মহাভাৰতৰ বিভিন্ন পৰ্বৰ পৰা কেইবা খনো মূল্যবান গ্ৰন্থ ৰচনা কৰিছিল। চিলাৰায়ে ভগ্ন অৱস্থাত থকা কামাখ্যা দেৱীৰ মন্দিৰ আৰু মাধৱ মন্দিৰ পুনৰ নিৰ্মাণ কৰি উলিয়াইছিল।

১৫৭৫ খ্ৰীষ্টাব্দত গৌড় ৰাজ্য আক্ৰমণ কৰি নিজ ৰাজ্যলৈ ঘূৰি অহাৰ পথত বৰআই ৰোগত আক্ৰান্ত হৈ গংগাৰ পাৰত মৃত্যু বৰণ কৰে। এইজনা মহান ব্যক্তিৰ কৰ্মৰাজী, ব্যক্তিত্ব আৰু পাণ্ডিত্য অতুলনীয়। পোন্ধৰ শতিকাতে বৰঅসম গঢ়াৰ মানসেৰে উত্তৰ পুৰুষৰ বাবে আদৰ্শ দেখুৱাই যোৱা ঐতিহাসিক পুৰুষ চিলাৰায়ৰ স্মৃতি সজীৱ কৰি ৰাখিবৰ বাবে ২০০৫ চনৰ পৰা অসমবাসীয়ে প্ৰতি বছৰে মাঘ মাহৰ পূৰ্ণিমা তিথি দিনটো "বীৰ চিলাৰায় দিৱস" হিচাপে পালন কৰি আহিছে। ২০২৬ চনত ফ্ৰেব্ৰুৱাৰী মাহৰ ১ তাৰিখে মাঘ মাহৰ পূৰ্ণিমা তিথি মিলিছে। সেয়ে এই বছৰ ১ ফ্ৰেব্ৰুৱাৰীত বীৰ চিলাৰায়ৰ বিষয়ে অধ্যয়ন কৰি তেখেতৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰি চিলাৰায় দিৱস পালন কৰিম।

অণুগল্প

# দুৰ্ভাগ্য

সম্প্ৰীতি কোঁৱৰ, এজিমালা, কেৰেলা



বগা কাপোৰেৰে ঢাকি থোৱা স্বামীৰ মৃতদেহটো দেখি সেইদিনাখন তাই কান্দিব পৰা নাছিল। বৰঞ্চ সেই মূহুৰ্তত তাই প্ৰতিজ্ঞাবদ্ধ হৈছিল আঠ মহীয়া পেটটোলৈ চাই। তেওঁৰ সপোনৰ মঞ্চত টুকুৰাক দেউতাকৰ অভাৱ অনুভৱ কৰিবলৈ নিদিয়াকৈ মানুহ কৰাৰ।

# জীৱন মানে মৃত্যু পৰ্য্যন্ত যুজি থকা



জীৱন এক সাগৰ সম শব্দ যাৰ ইপাৰ সিপাৰ ঢুকি পোৱা দূৰৈৰ কথা দেখাৰ সৌভাগ্য নহয় আমি আমাৰ জীৱনটোৰো ইপাৰ সিপাৰে নেদেখোঁ কৰ্মই জীৱনৰ পথ নিৰূপন কৰে । আৰম্ভনিতে আমাৰ অভিভাৱক সকলৰ দ্বাৰা পৰিচালিত হৈ জনা বুজা হোৱাৰ পিছৰ পৰা মৃত্যু পৰ্যন্ত নিজ ইচ্ছা অনুসৰি চলি গৈ থকাৰ প্ৰয়াস কৰোতে সময়ে সময়ে অনেক ঘাট-প্ৰতিঘাটৰ সন্মুখিন হ'ব লগা হয়। এই সংঘাট সমুহে আমাক শিক্ষা দিয়ে জীৱনটো কেনেকৈ আগবঢ়াই নিব পাৰি । জীৱনৰ বাটত লগ পোৱা সংঘাট বোৰে যেন আমাক পৰীক্ষাত অৱত্তীৰ্ণ কৰোৱাই। পৰিকল্পিত ভাবে কৰা কিছুমান কামে আমাক জীৱনটো আগুৱাই নিবলৈ কৰা যুঁজ খন সহজ কৰে আৰু কেতিয়াবা দুষ্ট সংগই সংকতময় কৰি তোলে।

**নমিতা দাস,শুৱালকুছি**


মুঠতে জীৱনটো হৈছে এখন ৰংগ মঞ্চ আমি হলোঁ তাৰ ভাৱৰীয়া। যিকোনো ভাও ল'বলৈ যেনেকৈ অনুশীলনৰ প্ৰয়োজন কিন্তু জীৱন নাটত অনুশীলন কৰা নাযায় যদিও আমাৰ সংঘাট বোৰে অনুশীলনৰ ৰূপত দেখা দিয়ে। গতিকে জীয়াই থাকিবলৈ মৌলিক ভাবে প্ৰয়োজনীয় অন্ন, বস্ত্ৰ, বাসস্থানৰ প্ৰয়োজনীয়তাই আমাক জীৱনত যুঁজ দিবলৈ শিকায় বা প্ৰয়োজন আনে ।

বৰ্তমান সময়ত জীয়াই থাকিবলৈ সমাজৰ ৰীতি নীতিৰে চলি থকাটো প্ৰয়োজন কিন্তু এই নীতি নিয়মৰ যুঁজ খনত পুৰুষ সমাজত কৈ নাৰী গৰাকিয়ে অধিক তিব্ৰতাৰে যুজিব লগা হৈছে । তাৰ ভিতৰত কিছুমান আওপুৰণি নিয়মৰ বিৰুদ্ধে চলিবলৈ যুঁজ দিবই লাগিব। এগৰাকী নৱ বিবাহিতা পত্নীৰ মৃত্যু হ'লে পুৰুষ জনে ছমাহ নৌহওঁতেই বিভিন্ন কাৰণত বিয়া কৰাব পাৰে কিন্তু যদি সেই একে গৰাকী পত্নী স্বামী হাৰা হয় তেতিয়া তেওঁ ছমাহ কিয় হয়তো বছৰ বছৰ ধৰি বিয়া হ'ব টো নোৱাৰেই সমাজৰ বা ঘৰ খনৰ বিভিন্ন মাঙ্গলিক অনুষ্ঠানত তেওঁ আগ-ভাগ লব নোৱাৰে তেওঁৰ জীৱনটো প্ৰতিটো মুহুৰ্ততে কিছুমান অনাহুত সংঘাটেৰে যুঁজি গৈ থাকিব লাগিব। বৰ্তমান সমাজত পুৰুষ নাৰীৰ মাজৰ নিয়মবোৰৰ মাজত শিথিলতা আহিলেও শেষ হৈ যোৱা নাই। মানুহৰ কথা আৰু কামৰ মাজত আকাশ পাতাল পাৰ্থক্য দেখিবলৈ পোৱা যায়। গতিকে এই পাৰ্থক্য বোৰে জীৱনটো আগুৱাই নিয়াত হেঙাৰ হৈ পৰে। এই হেঙাৰ নেওচি আগুৱাই যাবলৈ যুঁজ দিবই লাগিব।

অৱশেষত জীৱনৰ আন এটা নামেই যুঁজ বুলি কব পাৰি। জন্মৰ পিছৰে পৰা মৃত্যু পৰ্য্যন্ত জীয়াই থাকিবলৈ, সমাজৰ লগত চলিবলৈ, কৰ্ম কৰিবলৈ স্তৰে স্তৰে বিভিন্ন যুঁজত অৱতীৰ্ণ হৈ মৃত্যু পৰ্য্যন্ত যুজি থাকিবই লাগিব।

# নাৰীয়ে নাৰীৰ শত্ৰু

অনামিকা (সংগীতা)কলিতা, শুৱালকুছি



কাৰণ পৃথিৱীৰ শীৰ্ষতম পৰ্বত মালাৰ মানৱী প্ৰতীক নাৰীক তুলনা কৰা হয়। নাৰী মাতৃ, ভগ্নী, কন্যা, বোৱাৰী, আইতা ইত্যাদি বিভিন্ন ৰূপত নাৰীক দেখা পাওঁ। নাৰী অবিহনে ধৰাখন অসম্পূৰ্ণ।

কিন্তু তথাপিও পদে পদে নাৰী অৱহেলিত, নিষ্পেষিত হয়তো ইয়াৰ বাবে নাৰীয়ে বেছি জগৰীয়া। অকণমান ফঁহিয়াই চালে কেৰোণ বোৰ চকুৰ আগত ধৰা দিয়ে---

১) নিজৰ জীয়েকক যিদৰে মৰম কৰে ঠিক তেনেকৈ ন বোৱাৰী জনীক যদি নিজৰ ছোৱালীৰ দৰে ভাবে তেতিয়া ঘৰখন স্বৰ্গৰ দৰে হ'ব, কিন্তু বাস্তৱত একাংশ নাৰীয়ে তেনে মনোভাৱ দেখা নাপাওঁ।

২) নিজৰ মাকক যিদৰে মৰম স্নেহ কৰে, ঠিক তেনেকৈ একাংশ বোৱাৰীয়ে নিজৰ শাহুৱেকৰ প্ৰতি তেনে মনোভাৱ নাৰাখে।

৩) আমাৰ নাৰী সকলৰ মাজতে একাংশক দেখা পাওঁ নিজৰ ল'ৰাটোক ছোৱালী জনীতকৈ বেছি অগ্ৰাধিকাৰ দিয়া ।

৪) যৌতুক লোৱা, ল'ৰাটোৰ দুৰ্ঘটনা ইত্যাদি বিভিন্ন দিশত বোৱাৰীজনীক জগৰীয়া কৰে, একাংশ শাহুৱে। গতিকে পুৰুষৰ ক্ষেত্ৰত এইবোৰ দেখা নাপাওঁ যি নাৰী ক্ষেত্ৰত হয় ।

নাৰী হ'ল সমাজৰ আধাৰ, পুৰুষতকৈ নাৰীৰ বৌদ্ধিক ক্ষমতা বেছি থাকে, গতিকে আমি নাৰী সকলে এগৰাকী আনগৰাকীৰ বিৰোধী নহৈ পৰিপূৰক হওঁ তেতিয়া সমাজখন সুস্থ সবল দিশে গতি কৰিব।

অণুগল্প


# প্ৰত্যাশা

ছেলিনা জেছ্মিন, ধুবুৰী



বৃদ্ধ বয়সত জীৱনৰ একমাত্ৰ সাৰথি লাখুটি ডালক হেৰুৱাই দুখৰ অশ্ৰু বোৱাই বাটলৈ চাই থাকে হয়তো কোনোবাই আহি সুধিব পাৰে ভাল নে আপোনাৰ ককা তাৰেই প্ৰত্যাশাত। ৰঙীন পৃথিৱীৰ বাসিন্দা ককা এতিয়া ৰসহীন, প্ৰাণহীন, নিৰ্বাক। আকাংক্ষা কেৱল এটাই, সেই হেৰাই যোৱা লাখুটি ডালৰ পথৰ পথিক হ'বলৈ।

# বিশ্ব সাহিত্যৰ তাত্ত্বিক ধাৰা আৰু অসমীয়া সাহিত্যৰ সামাজিক বাস্তৱতা



ময়ূৰী বৰগোহাঁই, শিৱসাগৰ

নাৰীবাদ (Feminism) কেৱল এক সামাজিক আন্দোলন নহয়; ই এক গভীৰ তাত্ত্বিক, দাৰ্শনিক আৰু সাংস্কৃতিক চেতনা, যিয়ে সমাজৰ ক্ষমতাৰ বণ্টন, লিংগীয় বৈষম্য, দেহ-চেতনা, মানৱ অধিকাৰ আৰু পৰিচয়-নিৰ্মাণৰ প্ৰক্ৰিয়াক প্ৰশ্নৰ সন্মুখীন কৰে। নাৰীবাদে "নাৰী"ক কেৱল এক জৈৱিক পৰিচয় হিচাপে নহয়, বৰঞ্চ এক সামাজিক, ঐতিহাসিক আৰু সাংস্কৃতিক নিৰ্মাণ হিচাপে ব্যাখ্যা কৰে। এই দৃষ্টিভংগীৰে সাহিত্য নাৰীবাদী চিন্তাৰ এক অত্যন্ত গুৰুত্বপূৰ্ণ ক্ষেত্ৰ, কিয়নো সাহিত্য সমাজৰ কেৱল প্ৰতিফলনেই নহয়-ই সমাজৰ চিন্তাধাৰা, মূল্যবোধ আৰু নৈতিক কাঠামো গঢ় দিয়াতো সক্ৰিয় ভূমিকা পালন কৰে।

নাৰীবাদী সাহিত্য চিন্তাধাৰাই বিশ্ব সাহিত্য আৰু অসমীয়া সাহিত্য-দুয়ো ক্ষেত্ৰতেই এক মৌলিক পৰিৱৰ্তনৰ সূচনা কৰিছে। যদিও এই দুয়ো সাহিত্য পৰম্পৰাৰ ঐতিহাসিক পটভূমি, সামাজিক গাঁথনি আৰু সাংস্কৃতিক বাস্তৱতা ভিন্ন, তথাপিও নাৰীৰ দমন, নীৰৱতা, আত্মচেতনা আৰু প্ৰতিবাদ-এই মৌলিক অভিজ্ঞতাসমূহে দুয়োটাক একেডাল সূতাৰে বান্ধি ৰাখে। তুলনামূলক দৃষ্টিৰে চালে দেখা যায় যে বিশ্ব সাহিত্যত নাৰীবাদে যি তাত্ত্বিক গভীৰতা আৰু আন্দোলনমূলক ৰূপ লৈ বিকশিত হৈছে, অসমীয়া সাহিত্যত সেই ধাৰা অধিক সামাজিক-সাংস্কৃতিক বাস্তৱতাৰ সৈতে সংলগ্ন হৈ ধাপে ধাপে আত্মপ্ৰকাশ কৰিছে।

বিশ্ব সাহিত্যত নাৰীবাদী চিন্তাধাৰাৰ বিকাশ মূলতঃ উনবিংশ আৰু বিংশ শতিকাৰ সামাজিক-ৰাজনৈতিক পৰিৱৰ্তনৰ সৈতে জড়িত। মেৰি উলষ্টনক্ৰাফ্টৰ "A Vindication of the Rights of Woman" (১৭৯২) গ্ৰন্থই নাৰীৰ বৌদ্ধিক সমতাৰ প্ৰশ্ন উত্থাপন কৰি নাৰীবাদী সাহিত্য চিন্তাৰ বীজ ৰোপণ কৰে। পৰৱৰ্তীকালত ভাৰ্জিনিয়া উল্ফে "A Room of One's Own" (১৯২৯) ত স্পষ্টকৈ কৈছিল যে নাৰীৰ সৃষ্টিশীলতাৰ বাবে আৰ্থিক স্বাধীনতা আৰু ব্যক্তিগত স্থান একান্ত প্ৰয়োজনীয়। এই বক্তব্যই সাহিত্যত নাৰীৰ অৱস্থানক কেৱল অনুভৱৰ ক্ষেত্ৰ নহয়, এক ৰাজনৈতিক প্ৰশ্ন হিচাপে প্ৰতিষ্ঠা কৰে। চাইমন দ্য বোভোৱাৰৰ "The Second Sex" (১৯৪৯) গ্ৰন্থই নাৰী পৰিচয়ক সামাজিক গঠন হিচাপে বিশ্লেষণ কৰি বিশ্ব সাহিত্যত নাৰীবাদী সমালোচনাৰ এক দৃঢ় তাত্ত্বিক ভিত্তি গঢ়ি তোলে। চাইমন দ্য বোভোৱাৰে তেওঁৰ প্ৰখ্যাত গ্ৰন্থ The Second Sex (১৯৪৯) ত উল্লেখ কৰা প্ৰখ্যাত উক্তি -"One is not born, but rather becomes, a woman." -এই উক্তিটোৰে স্পষ্টভাৱে প্ৰমাণ কৰে যে "নাৰী" হোৱাটো জৈৱিক বাস্তৱ নহয়, বৰঞ্চ সামাজিক নিৰ্মাণ। ধৰ্মীয় বিধি, নৈতিক অনুশাসন, শিক্ষা ব্যৱস্থা, পৰম্পৰা আৰু ভাষিক আচৰণৰ মাজেৰে নাৰীৰ পৰিচয় গঢ় লৈ উঠে। এই তাত্ত্বিক কাঠামোৰ আধাৰত সাহিত্যত নাৰী চৰিত্ৰসমূহক সমাজৰ উৎপাদন হিচাপে বিশ্লেষণ কৰা হয়। ইলেইন শোৱাল্টাৰৰ "Gynocriticism" তত্ত্বই এই বিশ্লেষণক নতুন দিশ দিয়ে-য'ত নাৰী সাহিত্যক পুৰুষ-মাপকাঠিৰে নহয়, নাৰীৰ নিজস্ব দেহ-চেতনা, অভিজ্ঞতা আৰু মানসিক বাস্তৱতাৰ আধাৰত অধ্যয়ন কৰাৰ কথা কোৱা হৈছে। এই তাত্ত্বিক ধাৰণা অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো সমানভাৱে প্ৰযোজ্য।

বিশ্ব সাহিত্যত নাৰীবাদী লেখনে নাৰীৰ দেহ-চেতনা, যৌনতা, মাতৃত্ব, বিবাহ আৰু ব্যক্তিস্বাধীনতাৰ প্ৰশ্নসমূহ খোলাকৈ উন্মোচন কৰিছে। টনি মৰিছনৰ Beloved, চাইমন দ্য বোভোৱাৰ বা চিলভিয়া প্লাথৰ কবিতাসমূহত নাৰী কেৱল নিপীড়িত সত্তা নহয়; তেওঁলোক স্মৃতি, ইতিহাস আৰু

(বাৰপৃষ্ঠাত চাওক)

অনুগল্প

## জন্মদিনৰ উপহাৰ



ৰিমী হাজৰিকা,নিকিনিখোৱা গাওঁ, মাজুলী

পুৱাৰ ঠিক ছয় মান বাজিছে। ৰোহিণী নিজৰ পাকঘৰত ব্যস্ত, আজি যে কামৰ অন্ত নাই। কিয়নো আজি সোণ্টোৰ প্ৰথম জন্মদিন। জন্মদিনৰ বাবে তাই যে কিমান উৎসাহ। আনফালে আকৌ ভাৰতীয় সেনা বাহিনীত কৰ্মৰত সোণ্টোৰ দেউতাক আজি ছুটীত ঘৰলৈ আহিছে। আনন্দত আত্মহাৰা হৈ তাই যে কিমান কি যোগাৰ কৰিছে।।

সোণ্টোৰ প্ৰথম জন্মদিন উপলক্ষ্যে তাই মন্দিৰত শৰাই এভাগ দিছে। তাক সাজু কৰি তাই মন্দিৰলৈ যাব লাগে, আনফালে আকৌ ৰোহিনীৰ স্বামী মুকুন্দ পাব হি প্ৰায় এঘাৰ বজাত, তেওঁ ফোনত জনাইছে যে সোণ্টোৰ জন্মদিনৰ বাবে সি এটা ভাল জন্মদিনৰ উপহাৰ আনিছে। ৰাতিলৈ ভাত এসাজৰ যোগাৰো কৰিছে আজি সোণ্টোৰ জন্ম দিন উপলক্ষ্যে। মাথো আজি তাইৰ গাত তত্ নাই।


পাকঘৰৰ কাম কাজ চলাই সোনকালেই আজৰি হ'ল তাই। লগতে সোণ্টোক সাজু কৰিলে, নিজেও সাজু হ'ল, মন্দিৰলৈ যাবলৈ বুলি ওলাই গ'ল, কিন্তু বাটত মনত পৰিল তাই যে ম'বাইল টো ঘৰতে এৰি আহিল মন্দিৰ পায় সোণ্টোৰ দীৰ্ঘায়ু কামনাৰে তাই সেৱা ল'লৈ আৰু মুকুন্দ যে সু স্বাস্থ্যৰে ঘৰ পায়হি তাৰ কামনা কৰি ঘৰমুৱা হ'ল তাই। কিন্তু ঘৰত গৈ আকস্মিক ভাৱে অহা ফোন টো ত হতভম্ব হ'ল তাই, ফোনৰ সিপাৰে কণ্ঠস্বৰত ভাহি আহিছিল এযাৰী বাক্য -" মুকুন্দ বৰুৱাৰ এক দুৰ্ঘটনাত মৃত্যু হৈছে।"

লগে লগেই যেন সৰগ ভাগি পৰিল তাই মূৰৰ ওপৰত। তাই ভাবি উঠিল -যে সোণ্টোৰ প্ৰথম জন্মদিনৰ উপহাৰ কি এয়ে আছিল?

অণুগল্প

## ভাষণ


যমুনা দুলু বৈশ্য, শুৱালকুছি



সাম্প্ৰতিক সময়ৰ লগত খাপখোৱাকৈ সুন্দৰ আৰু স্পষ্টভাৱে কোৱাত শুনি আপ্লুত হ'লো-নহয়নে--? বিকাশ

শিক্ষক জনে ছাত্ৰ-ছাত্ৰীক চাই আকৌ কবলৈ ধৰিলে----- আমি শিক্ষা দিয়া প্ৰজন্মটো মানবীয় অনুভূতিৰে যদিহে সংস্কাৰী কৰিব নোৱাৰো ভৱিষ্যত এটা পংগু প্ৰজন্মলৈ পৰিৱৰ্তন হব।

## অমানিশা



শৈলেন কুমাৰ, মিৰ্জা

বেদনাত ককবকাই থকা ৰাতিটো
মোৰ বুকুত গধুৰ হৈ বহিল,
অসহনীয় বেদনা, যন্ত্ৰণাত
চকুত টোপনি নহোৱা হ'ল
ৰাতিটো দীঘলীয়া মোৰ ঘাঁবোৰো পূৰণা
জিৰণি ল'বলৈ নাই আহৰি
দেহমন যদিও পৰিছে ভাগৰি
স্মৃতিবোৰক মই যোৱা নাই পাহৰি
তৰাবোৰে দূৰৰ পৰা মনে মনে চাই থাকিল,
ঘাঁবোৰে মনত পেলাইছিল প্ৰতিশোধৰ বেদনা
ঘণ্টাৰ পিছত ঘণ্টা বিষৰ সৈতে যুঁজি লাহে লাহে
টোপনি ওচৰ চাপি আহিল,
তাৰ পিছত পিছলি গ'ল,
বৰযুগত খোজ পৰাৰ দৰে।
তৰাৰ সলনি উশাহ গণিলো,
মোৰ দৃষ্টিৰ ভিতৰতে ভোৰ হয়
ভংগুৰ আশা, কিন্তু তথাপিও আশা,
যে মই ৰাতিটোতকৈ বেছি দিন জীয়াই থাকিম।
তৰাবোৰ ভাগৰুৱা যেন লাগে,
শব্দই ক'ব নোৱাৰা কথা মৌনতাই কয়,
সপোনবোৰ ভাঙি চকুলোত পৰিণত হয়।

JANASANYOG- 4226/25/1-Feb-26



# বিশ্বৰ পৰ্যটন মানচিত্ৰত চৰাইদেউ মৈদাম ক্ষেত্ৰঃ সম্ভাৱনা আৰু সমস্যা

যোৰাখণ্ডৰ পৰা..

দ্বীপেন বৰুৱা



চৰাইদেউ বিশেষভাৱে পৰিচিত হৈছে এই ঐতিহাসিক মৈদামসমূহৰ বাবে। মৈদামসমূহ সাধাৰণতে মাটিৰ তলত গৃহ আকৃতিৰ কাঠামো আৰু ওপৰত মাটিৰ টিলা হিচাপে নিৰ্মাণ কৰা হৈছিল। ইয়াৰ ভিতৰত মৃতদেহৰ লগতে দৈনন্দিন ব্যৱহাৰৰ সামগ্ৰী, অলংকাৰ, অস্ত্ৰ-শস্ত্ৰ আদি ৰখা হৈছিল। এই ব্যৱস্থাই আহোমসকলৰ মৃত্যু- চিন্তা, আত্মা বিশ্বাস আৰু সামাজিক কাঠামোৰ গভীৰ দৰ্শন প্ৰকাশ কৰে।

চৰাইদেউ মৈদাম ক্ষেত্ৰৰ ঐতিহাসিক, সাংস্কৃতিক আৰু স্থাপত্যমূল্য উপলব্ধি কৰি ভাৰত চৰকাৰে ইয়াক ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰচেষ্টা চলাই আহিছিল। অসম চৰকাৰৰ পুৰাতত্ত্ব সঞ্চালকালয়ৰ বিষয়াসকলৰ লগতে স্থানীয় ৰাইজ তথা বুৰঞ্জীবিদসকলৰ মাজত বিগত কেইবাবছৰো ধৰি অনুষ্ঠিত আলোচনাসমূহত বিশ্ব ঐতিহ্যৰ স্বীকৃতিৰ সম্ভাৱনীয়তা অধিক স্পষ্ট হৈ উঠিছিল। এই প্ৰক্ৰিয়াক অধিক গতিশীল ৰূপ দিয়াৰ বাবে পুৰাতত্ত্ববিদ ডঃ কে চি নৌৰিয়ালক অসম চৰকাৰে এগৰাকী বিশেষজ্ঞ হিচাপে নিয়োগ কৰে আৰু তেখেতৰ নেতৃত্বতে চৰাইদেউ মৈদামৰ দছিয়াৰ (dossier) প্ৰস্তুতকৰণকে ধৰি অন্যান্য আনুসংগিক কামসমূহ আগবাঢ়ি গৈছিল।

২০২২ চনৰ ২৬ ছেপ্তেম্বৰত বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতিৰ বাবে চৰাইদেউ মৈদামৰ খচৰা দছিয়াৰ প্ৰস্তুতকৰণৰ কাম সম্পন্ন কৰি ভাৰতীয় প্ৰত্নতাত্ত্বিক জৰীপ বিভাগ (Archaeological Survey of India)ক দাখিল কৰা হৈছিল। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ২০২৩ চনৰ ২১ জানুৱাৰীত চূড়ান্ত দছিয়াৰ ভাৰত চৰকাৰক দাখিল কৰাৰ পাছতেই ২৬ জানুৱাৰীত ভাৰত চৰকাৰে এই দছিয়াৰ ইউনেস্কোলৈ প্ৰেৰণ কৰে। সেই অনুসৰি আন্তৰ্জাতিক কীৰ্তিচিহ্ন আৰু স্থান পৰিষদ (International Council on Monuments and Sites)ৰ প্ৰতিনিধি লিম-চেন-চিয়ান আৰু ভাৰতীয় প্ৰত্নতাত্ত্বিক জৰীপ বিভাগৰ বিষয়ববীয়াসকলে ২০২৩ চনৰ ৭-৮ অক্টোবৰত চৰাইদেউ মৈদাম পৰ্যবেক্ষণ কৰে আৰু অৱশেষত সকলো বিচাৰ-বিবেচনাৰ অন্তত ২০২৪ চনৰ ২৬ জুলাইত নতুন দিল্লীত অনুষ্ঠিত ইউনেস্ক'ৰ ৪৬ সংখ্যক অধিৱেশনত চৰাইদেউ মৈদামক্ষেত্ৰক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি দিয়া হয়। চৰাইদেউ মৈদামক্ষেত্ৰ ভাৰতৰ ৪৩ তম আৰু অসমৰ তৃতীয়টো বিশ্ব ঐতিহ্যক্ষেত্ৰ তথা সাংস্কৃতিক ক্ষেত্ৰত উত্তৰ-পূৰ্ব ভাৰতৰ প্ৰথমটো বিশ্ব ঐতিহ্যক্ষেত্ৰ। এই সমগ্ৰ প্ৰক্ৰিয়াটোত স্থানীয় ৰাইজ আৰু দল-সংগঠনসমূহৰ সহযোগ অনস্বীকাৰ্য।

চৰাইদেউৰ মৈদামে ইউনেস্ক'ৰ স্বীকৃতি পোৱাটো অসমবাসী ৰাইজৰ এটা বহুদিনীয়া সপোন আছিল। এই স্বীকৃতি কেৱল অসমৰ বাবে নহয়, সমগ্ৰ ভাৰতৰ বাবে এক গৌৰৱময় মুহূৰ্ত। এই স্বীকৃতিৰ ফলত চৰাইদেউ মৈদামে বিশ্বৰ পৰ্যটনৰ মানচিত্ৰত এক স্বতন্ত্ৰ স্থান অধিকাৰ কৰে। ফলস্বৰূপে, অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যটকক আকৰ্ষণ কৰাৰ এটা নতুন বাট মুকলি হ'ল। ই বিশ্ববাসীক আহোম সভ্যতা, অসমৰ ইতিহাস আৰু উত্তৰ-পূব ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ সৈতে পৰিচিত হোৱাৰ সুযোগ প্ৰদান কৰিছে। চৰাইদেউ মৈদাম ক্ষেত্ৰৰ পৰ্যটনৰ সম্ভাৱনা বহু দিশত বিস্তৃত। ইতিহাসপ্ৰেমী, গৱেষক, শিক্ষাৰ্থী আৰু বিদেশী পৰ্যটকৰ বাবে চৰাইদেউ মৈদামক্ষেত্ৰ এক বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিব। আহোম সভ্যতাৰ অনন্য ইতিহাস, সমাধি সংস্কৃতি আৰু ৰাজনৈতিক প্ৰণালীৰ অধ্যয়নৰ বাবে ই এক মুক্ত গৱেষণাগাৰ। বিশ্ববিদ্যালয়, গৱেষণা প্ৰতিষ্ঠান আৰু শিক্ষানুষ্ঠানসমূহে চৰাইদেউ মৈদামক ক্ষেত্ৰ অধ্যয়নৰ বাবে ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ ফলতজ্ঞ ানভিত্তিক পৰ্যটনৰ বিকাশ সম্ভৱ হৈ উঠিব। তদুপৰি, পৰ্যটনৰ বিকাশে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে পৰ্যটক গাইড, হোটেল ব্যৱসায়, হস্তশিল্প, পৰিবহণ আদি ক্ষেত্ৰত নতুন নতুন কৰ্মসংস্থাপন সৃষ্টি কৰিব পাৰে। উল্লেখযোগ্য যে, চৰাইদেউ জিলা ঘোষণাৰ পাছৰে পৰা জিলা প্ৰশাসন আৰু স্থানীয় ৰাইজৰ উদ্যোগত চৰাইদেউ মৈদামক্ষেত্ৰত প্ৰতিবছৰে 'চৰাইদেউ মহোৎসৱ' নামেৰে এক বৃহৎ অনুষ্ঠানৰ আয়োজন কৰি আহিছে। পৰ্যটনৰ ক্ষেত্ৰত জিলাখনৰ বাবে ই এক গুৰুত্বপূৰ্ণ অনুষ্ঠান বুলি গণ্য কৰা হয়।

বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাৰ পৰৱৰ্তী সময়ত চৰাইদেউবাসীৰ ওপৰত এক নতুন দায়িত্ব আহি পৰিছে। বুৰঞ্জীৰ পাতত বা কাগজে-পত্ৰই ইমানবোৰ ঐতিহাসিক সমল থকাৰ পাছতো জিলাখনৰ পৰ্যটনৰ দিশটো বহু পৰিমাণে দুৰ্বল হোৱাটো জিলাবাসীৰ বাবে এক পৰিতাপৰ বিষয়। সমলসমূহৰ উপযুক্ত সংৰক্ষণৰ অভাৱ, ইয়াৰ সঠিক চিনাক্তকৰণ আৰু বুৰঞ্জীলব্ধ তথ্যৰ উপস্থাপনৰ অভাৱতো বহু সময়ত পৰ্যটকে এই সম্পদসমূহক উপেক্ষা কৰিবলগাত পৰিব পাৰে। আকৌ, তুলনামূলকভাৱে সৰু জিলাখনৰ বাট-পথসমূহৰ দুৰৱস্থা, থকা-খোৱাৰ সুব্যৱস্থাৰ অভাৱ আৰু উপযুক্ত যাতায়াত ব্যৱস্থাৰ অভাৱে পৰ্যটকক বিমুখ কৰে। বহু মৈদাম আজিও অবহেলিত হৈ আছে। প্ৰাকৃতিক ক্ষয়, অবৈধ দখল আৰু মানৱসৃষ্ট ক্ষতিত ইয়াৰ গঠন নষ্ট হৈছে। অন্যহাতেদি, এখন উন্নত মানদণ্ডৰ পৰ্যটনস্থলী হিচাপে পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ সাংস্কৃতিক অনুষ্ঠান, সুসজ্জিত ব্যৱসায়িক প্ৰতিষ্ঠানৰ অভাৱ আৰু উপযুক্ত বিনিয়োগকাৰীৰ অভাৱত অঞ্চলটোৱে পৰ্যটনৰ এক মাইলৰ খুঁটি হৈ আজিও ভালদৰে থিয় দিব পৰা নাই।

বিশ্বৰ পৰ্যটন মানচিত্ৰত অধিক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিবলৈ চৰাইদেউ মৈদাম ক্ষেত্ৰত কিছু বাস্তৱমুখী ব্যৱস্থা গ্ৰহণ কৰাটো বৰ্তমান সময়ত অতিকে প্ৰয়োজনীয় হৈ পৰিছে। পৰ্যটকৰ বাবে এখন মেপৰ অতি দৰকাৰ, য'ত এজন পৰ্যটকে পথসমূহৰ সৈতে থকাৰ ঠাই আৰু ঐতিহাসিক স্থানসমূহৰ তথ্য লাভ কৰিব পাৰে। ৰঙীন ফটোযুক্ত বিৱৰণৰো প্ৰয়োজন আছে। এইসমূহ উপস্থাপনৰ মাধ্যম ছপা কিতাপ, পুস্তিকা বা ইন্টাৰনেট যিকোনো হ'ব পাৰে। তথ্যহীনতা বা তথ্যৰ অস্পষ্টতা ঐতিহাসিক সমলৰ পৰ্যটনৰ ক্ষেত্ৰত অন্তৰায় হ'ব পাৰে। নিৰ্দিষ্ট মৈদামসমূহ থকা ঠাইসমূহত প্ৰকৃতি পৰ্যটন, সাংস্কৃতিক পৰ্যটন, জনগোষ্ঠীয় পৰ্যটন, খাদ্য পৰ্যটন আদিৰ প্ৰচুৰ সম্ভাৱনা আছে। এই সকলো কামতে পেচাগত মানসিকতাৰ প্ৰয়োজন। মুঠৰ ওপৰত উপযুক্ত সংৰক্ষণ, সচেতনতা, বহনক্ষম পৰ্যটন নীতি আৰু স্থানীয় জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তেহে বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃত চৰাইদেউ মৈদামসমূহক ভৱিষ্যতে বিশ্বৰ অন্যতম শ্ৰেষ্ঠ ঐতিহ্য পৰ্যটন কেন্দ্ৰ হিচাপে জিলিকাই তুলিব পৰা যাব।

তথ্যসূত্ৰঃ-

(১) চে-ৰাই-ডয়, সম্পাদকঃ তুলিকা চেতিয়া য়েইন

(২) প্ৰান্তিক, ত্ৰয়স্ত্ৰিংশ বছৰ ঊনবিংশ সংখ্যা। ১-১৫ ছেপ্টেম্বৰ ২০২৪

(৩) ইন্টাৰনেট

# ঈশ্বৰৰ সন্ধানত

যোৰাখণ্ডৰ পৰা..



কবিতা শৰ্মা, নতুন দিল্লী

ধৰ্মৰ নামত ছাৰিওফালে ইমান পূজা - অৰ্চনা, দান-দক্ষিণা, যাগ-যজ্ঞ , বলি -কোৰবানি... মন্দিৰ, মছজিদ, গীৰ্জা, গুৰুদ্বাৰা সকলোতে মানুহৰ ইমান ভিৰ... কিন্তু মানৱতা ক'ত? চিগনেলত ৰৈ ফটা কাপোৰ পিন্ধি খালী ভৰিৰে ভিক্ষা খুজি ফুৰা শিশু এটাই নাজানে মন্দিৰ কি, মছজিদ কি, ধৰ্মই বা কি। সিহঁতৰ বাবে ধৰ্মৰ অৰ্থ কেৱল মাত্ৰ এমুঠি অন্ন। আমাৰ সমাজত শিলৰ মূৰ্তিৰ সন্মুখত দিয়া হয় পৰমান্ন ভোগ। কিন্তু ভোকাতুৰ -নগ্ন মানুহ শুই থাকে পদপথত। গছ-গছনি, পাহাৰ কাটি, নৈ- বিল- খাল আৱৰ্জনাৰে পুতি, অসহায় জীৱ-জন্তু আৰু আৰ্তজনৰ প্ৰতি অলপো সহানুভূতি আৰু মানৱতাবোধৰ নিদৰ্শন নেদেখুৱাই আজি আমি কোনদিশে গতি কৰিছোঁ? ঈশ্বৰক কাৰো সহায়ৰ প্ৰয়োজন নাই। কিন্তু অসহায় জীৱজন্তু বা বিপদগ্ৰস্ত মানুহক সহায়ৰ প্ৰয়োজন আছে। গাখীৰ ঈশ্বৰে নাখায়, ৰাস্তাত পৰি থকা অজস্ৰ নিঃসহায় শিশুৰহে প্ৰয়োজন। ঈশ্বৰক - কৌটি - কৌটি টকাৰো প্ৰয়োজন নাই। সকলোৰে বাঃ-বাঃ লবলৈ অপ্ৰয়োজনীয় দান- দক্ষিণা কৰাটো সঠিক হব নোৱাৰে। বৰ্তমান মানৱতা ক্ৰমান্বয়ে দুৰ্লভৰ পৰা দুৰ্লভতৰ হব ধৰিছে। আমাৰ দেশ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ কিন্তু দুৰ্ভাগ্য বশতঃ আমাৰ দেশত হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান বা শিখৰহে জন্ম হয়, জন্ম নহয় কেৱল মানুহৰ। এয়া আজি আৰু কেৱল কোনো এখন ৰাজ্য বা দেশৰ কথা হৈ থকা নাই, বৰ্তমান এয়া গোটেই পৃথিৱীখনৰে মানসিকতাৰ কথা হৈ পৰিছে! আমেৰিকা, চিৰিয়া, ৰাছিয়া, ইউক্ৰেইন, চীন, জাপান, কোৰিয়াৰ পৰা আৰম্ভ কৰি আমাৰ ভাৰত বৰ্ষলৈ - সকলোতে মানুহৰ নিষ্ঠুৰতাৰ একেই ৰূপ। ধৰ্মৰ কথা কলেই বিতৰ্কৰ সৃষ্টি হয়। কিন্তু এয়া কোনো নিৰ্দিষ্ট দেশ, ধৰ্ম বা জাতিৰ কথা নহয়। প্ৰচলিত ব্যৱস্থা আৰু বিশ্বাসে ঘৃণাক প্ৰেমলৈ ৰূপান্তৰ কৰাত বাৰুকৈয়ে ব্যৰ্থ হৈছে। প্ৰকৃতি আৰু মানুহৰ মাজত ঈশ্বৰক নিবিচাৰি ঈশ্বৰক মন্দিৰ, মছজিদ বা গীৰ্জাঘৰত বিচাৰাৰ পৰম্পৰাই মানৱ জাতিলৈ ভয়ঙ্কৰ ক্ষতি নমাই আনিছে।

এখন ঘৰৰ নিৰ্মাণৰ সকলো কাৰ্য্য সম্পূৰ্ণ হৈ উঠাৰ পাছতো ঘৰখনক ভালে ৰাখিবলৈ যেনেকৈ তাৰ তদাৰক কৰাৰ প্ৰয়োজন ঠিক তেনেকৈয়ে পৰিপক্ক হবলৈ আৰু আমাৰ আধ্যাত্মিকতা বজাই ৰাখিবলৈ আটাইতকৈ যদি কিবা প্ৰয়োজনীয় বিষয় আছে সেয়া হৈছে- প্ৰেম। ঈশ্বৰৰ প্ৰতি, মানুহৰ প্ৰতি, প্ৰকৃতিৰ প্ৰতি, আমাৰ প্ৰেম গভীৰ কৰাৰ প্ৰয়োজন। যদি আমাৰ মাজত প্ৰেম নাই, আমাৰ সকলো জ্ঞান, সকলো কাৰ্য্য মূল্যহীন হৈ পৰিব। কেৱল মাত্ৰ প্ৰেমৰ যোগেদিহে আমি আধ্যাত্মিক ভাবে পৰিপক্ক হবলৈ আৰু ঈশ্বৰৰ সৈতে সম্পৰ্ক দৃঢ় কৰিবলৈ সক্ষম হম।

প্ৰকৃতি আৰু মানুহৰ মাজতেই যে ঈশ্বৰ এই কথা আমি সকলোৱে জানোঁ, কিন্তু সেই কথা মানি লব নিবিচাৰোঁ। ঈশ্বৰক মন্দিৰ, মছজিদ, গীৰ্জা বা গুৰুদ্বাৰাত বিচাৰিবলৈ এৰি আমাৰ সকলোৰে হৃদয়তে যে ঈশ্বৰ বাস কৰে সেই কথা আমি যিদিনাই ভাবিবলৈ আৰম্ভ কৰিম, যিদিনাই আমাৰ সদিচ্ছাক কাৰ্য্যলৈ ৰূপান্তৰ কৰিবৰ প্ৰয়াস কৰিম, সিদিনাৰ পৰাই হয়তো অহা জনমত পাম বুলি সপোন দেখি থকা সৰগ খন আমি এই ধৰাৰ বুকুত এই জনমতে পাম ।

# মিঞা প্ৰসংগক লৈ পুনৰ সৰৱ হৈ

উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ৰ কথা। সৰ্বোচ্চন্যায়ালয়ে মুছলমান শব্দটো উল্লেখ কৰিছে। কিন্তু মই মুছলিম শব্দ ব্যৱহাৰৰ পৰিৱৰ্তে মিঞা শব্দ ব্যৱহাৰ কৰিছোঁ। উচ্চতম ন্যায়ালয়ে ডাটাত দেখুৱাইছে যে অসমত মিঞা কিমান সোমাইছে। অসমৰ ওপৰত আক্ৰমণ হৈছে। এইবোৰ কথা মই কোৱা কথা নহয়। মই যিবোৰ কথা কৈছোঁ, উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ ভিত্তিতহে কৈছোঁ। এটা শব্দও মোৰ নিজৰ নহয়। বাংলাদেশৰ পৰা অসমলৈ মিঞা অহা নাই নেকি? এই কথাটো ভুল নেকি? মই যদি ভুল কৰিছোঁ, তাক ভুল বুলি প্ৰমাণ কৰক। যিবোৰ জিলাত আগতে মুছলমানৰ সংখ্যা ১০ শতাংশ আছিল এতিয়া ৬০ শতাংশ কেনেকৈ হ'ল? এইবিলাক প্ৰশ্ন মই উত্থাপন কৰা নাই, এয়া উচ্চতম ন্যায়ালয়ে উত্থাপন কৰিছে। মিঞা শব্দটো গোপীনাথ বৰদলৈ, অম্বিকাগিৰী ৰায়চৌধুৰী, বিষ্ণুৰাম মেধিয়ে মই যিমান কৈছোঁ তাতকৈ বেছিকৈ কৈছে। হীৰেন গোহাঁয়েও ১৯৯২ত মিঞা শব্দৰ ব্যৱহাৰ কৰিছিল। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমত মিঞা শব্দ প্ৰকাশ কৰা বাবে তেওঁক কৰা সমালোচনাক লৈ স্পষ্টভাৱে এইবুলি উল্লেখ কৰিছে- অবৈধ বাংলাদেশী মুছলমান 'মিঞা'ক লৈ মই কৰা মন্তব্যৰ বাবে যিসকলে অহৰহ আক্ৰমণ কৰাৰ প্ৰয়াস কৰিছে, তেওঁলোকে অলপ শান্ত হৈ দেশৰ উচ্চতম ন্যায়ালয়ে অসমৰ বিষয়ে কি কৈছে সেয়া পঢ়ি চোৱা উচিত। এয়া মোৰ ভাষ্য নহয়, মোৰ কল্পনাও নহয় আৰু কোনো ৰাজনৈতিক অভিসন্ধিও নহয়। ন্যায়ালয়ে নিজেই কৈছে যে অসমত হোৱা নীৰৱ আৰু ভয়াৱহ জনগাঁথনিৰ আগ্ৰাসনে নামনি অসমৰ ভূ-ৰাজনৈতিকভাৱে অতি গুৰুত্বপূৰ্ণ জিলাসমূহ হেৰুওৱাৰ পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে। অবৈধ প্ৰব্ৰজনৰ ফলত এই জিলাসমূহ লাহে লাহে মুছলমান সংখ্যাগৰিষ্ঠ অঞ্চল হিচাপে পৰিগণিত হৈছে। মাত্ৰ সময়ৰ ওপৰত নিৰ্ভৰ কৰিব-বাংলাদেশৰ সৈতে সেইসমূহ জিলাৰ একত্ৰীকৰণৰ দাবী উত্থাপন। নামনি অসম হেৰুৱালে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ বাকী অংশৰ পৰা বিচ্ছিন্ন হৈ পৰিব আৰু সেই অঞ্চলৰ চহকী প্ৰাকৃতিক সম্পদ দেশে হেৰুৱাব লাগিব। যেতিয়া দেশৰ সৰ্বোচ্চ সাংবিধানিক ন্যায়ালয়ে 'জনগাঁথনিত আগ্ৰাসন'ৰ দৰে শব্দ ব্যৱহাৰ কৰি ভূমি হেৰুওৱা আৰু ৰাষ্ট্ৰীয় একতাৰ প্ৰতি সম্ভাব্য বিপদৰ সতৰ্কবাণী দিয়ে, তেনে বাস্তৱক স্বীকাৰ কৰাটো ঘৃণা বা সাম্প্ৰদায়িকতা নহয় বা কোনো সম্প্ৰদায়ক কৰা আক্ৰমণো নহয়। এয়া হৈছে দশকৰ পিছত দশক ধৰি অসমে ভুগি অহা এক গুৰুতৰ তথা দীঘলীয়া সমস্যাৰ স্বীকৃতি। আমাৰ এই প্ৰচেষ্টা কোনো ধৰ্ম বা ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে নহয়। উচ্চতম ন্যায়ালয়ে দেশক আগবঢ়োৱা সতৰ্কবাণীৰ দৰে আমাৰ প্ৰচেষ্টা হৈছে ভাৰতৰ অসমৰ পৰিচয়, নিৰাপত্তা আৰু ভৱিষ্যতক সুৰক্ষিত কৰা। সেই সতৰ্কবাণীক উপেক্ষা কৰাটোৱেই হ'ব প্ৰকৃতভাৱে অন্যায়-অসমৰ প্ৰতিও আৰু ভাৰতৰ প্ৰতিও। কেতিয়াবা ভাবিছেনে- আমি এতিয়া এইখন অসমত বাস কৰি আছো, য'ত আমাৰ সত্ৰসমূহ অবৈধ বাংলাদেশীৰ বিচৰণস্থলী হৈ পৰিছে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ স্মৃতি বিজড়িত বটদ্ৰৱা থানৰ চৌদিশ 'অচিনাকি' লোকেৰে ভৰিছে। অসমৰ বিভিন্ন ঠাইত হাজাৰ হাজাৰ বিঘা বনাঞ্চলৰ ভূমি অবৈধ লোকে দখল কৰি থাকে। অসমৰ অস্তিত্বৰ কথা ভাবি আমি সাহস কৰিছোঁ, সত্ৰৰ ভূমি মিঞাৰ পৰা উদ্ধাৰ কৰিছোঁ, আমাৰ বনাঞ্চলৰ ভূমি অধিকাৰ আমাৰ হাতলৈ ওভতাই অনাৰ আপ্ৰাণ প্ৰয়াস কৰি আছোঁ। সেইবাবেই মিঞাপ্ৰীতিত গদ্‌গদ্ হৈ থকাসকলে মোক অহৰহ আক্ৰমণ কৰে। অসমৰ জনগাঁথনিত পৰিৱৰ্তনৰ বাবে তেওঁলোকে ভ্ৰূক্ষেপ নকৰে। তেওঁলোকে বিচাৰে অসমত মিঞাসকল সংখ্যাগুৰু হওক। পুনৰবাৰ কৈছোঁ অসমৰ পৰিচয়, নিৰাপত্তা আৰু ভৱিষ্যতক সুৰক্ষিত কৰাৰ বাবে আমি আমাৰ দৃঢ় স্থিতিৰ পৰা কেতিয়াও আঁতৰি নাহোঁ।

# ডিব্ৰুগড়ত ৰেডক্ৰছ

চ'ছাইটিয়ে তেওঁলোকলৈ এক সৰু কিন্তু অৰ্থপূৰ্ণ সহায় আগবঢ়াবলৈ চেষ্টা কৰিছে। ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ ডিব্ৰুগড়ৰ উপ-সভাপতি ড° মহেশ কুমাৰ জৈনে এক উৎসাহমূলক ভাষণ দি সুস্থ আৰু সৰল জীৱনৰ বাবে স্বাস্থ্য সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। অসম চিকিৎসা মহাবিদ্যালয়ৰ পি জি টি, ৰ ডাঃ আহিদুৰ ৰহমান আৰু ডাঃ তানজিমা আহমেদে দৈনন্দিন জীৱনত চকুৰ যত্নৰ গুৰুত্বৰ বিষয়ে বক্তব্য আগবঢ়াই নিয়মিতভাৱে চকু পৰীক্ষা কৰোৱাৰ পৰামৰ্শ দিয়ে। তেওঁলোকে কয় যে চকু মানৱ শৰীৰৰ অন্যতম গুৰুত্বপূৰ্ণ অংগ। ইয়াৰ পূৰ্বে ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ, সচিব অনুজ কুমাৰ বৰুৱাই শিবিৰৰ উদ্দেশ্য আৰু কাৰ্যসূচীৰ বিষয়ে সংক্ষিপ্ত পৰিচয় দিয়ে। শিবিৰত অন্যান্যসকলৰ ভিতৰত ৰিপুঞ্জয় বৰুৱা, সমীৰ কুমাৰ শৰ্মা, প্ৰদীপ কুমাৰ দেৱ গোস্বামী, ড° চুলতানা হাজৰিকা আৰু প্ৰবাল দাস উপস্থিত আছিল। মুঠ ৪৫ গৰাকী ব্যক্তিৰ চকু পৰীক্ষা কৰা হয়, ইয়াৰ ভিতৰত ৩০ গৰাকী পুৰুষ আৰু ১৫ গৰাকী মহিলা আছিল। পৰীক্ষাৰ ফলাফল অনুসাৰে ১৩ গৰাকী ব্যক্তিৰ "ৰিফ্ৰেক্টিভ এৰৰ" ধৰা পৰে, ১ গৰাকী ব্যক্তিৰ "স্কুইণ্ট" ধৰা পৰে। বাকী সকলৰ গ্লুকোমা, কনজাংটিভাইটিছ, প্টেৰিজিয়াম আৰু কেটাৰেক্টৰ কোনো প্ৰভাৱ পৰা দেখা নগ'ল। শিবিৰৰ অন্তত ড° চুলতানা হাজৰিকাই অংশগ্ৰহণকাৰী সকলক ধন্যবাদ জ্ঞাপন কৰে।

# ৰাষ্ট্ৰীয় মৰ্যাদাৰে শেষকৃত্য

মুৰব্বী অজিত পাৱাৰৰ। ইয়াৰ পাছত হাজাৰ হাজাৰ লোক সমবেত হৈ তেওঁক শেষ বিদায় জনাই শোকাকুল হৈ পৰে আৰু 'অজিত দাদা অমৰ ৰাহে' ধ্বনি দি তেওঁৰ নশ্বৰদেহ জাতীয় পতাকাৰে মেৰিয়াই তেওঁৰ গাওঁ কাটেৱাডীৰ পৰা পুনেৰ পৰা প্ৰায় ১০০ কিলোমিটাৰ নিলগৰ বিদ্যা প্ৰতিষ্ঠান খেলপথাৰলৈ অনা হয় । ৰাজ্যৰ ৰাজনীতিত কেইবাদশকজোৰা অৱদান আগবঢ়োৱা পাৱাৰৰ নশ্বৰদেহটো ৰাষ্ট্ৰীয় পতাকাৰে ঢাকি চিতাত তোলাৰ পাছত ধৰ্মীয় ৰীতি-নীতিৰে মুখাগ্নি কৰে তেওঁৰ পুত্ৰই। শেষকৃত্য অনুষ্ঠানটোত উপস্থিত থাকে নেতাগৰাকীৰ পত্নী সুনেত্ৰা পাৱাৰ, ভতিজা ৰোহিত পাৱাৰৰ উপৰি সুশীল কুমাৰ শিন্দে আৰু তেওঁৰ কন্যা প্ৰণীতি শিন্দেকে ধৰি অনেক জ্যেষ্ঠ নেতা। নেতাগৰাকীৰ শেষকৃত্য অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, নীতিন গাডকাৰী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী শাৰদ পাৱাৰ আৰু বিজেপিৰ মুৰব্বী নীতিন নবীন, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নভিছ আৰু উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দেকে ধৰি কেইবাজনো নেতা উপস্থিত থাকে আৰু তেওঁক শেষশ্ৰদ্ধা জনায়। শেষকৃত্য অনুষ্ঠানৰ পূৰ্বে তেওঁৰ মৃতদেহ বিদ্যা প্ৰতিষ্ঠান খেলপথাৰত ৰখা হয় যাতে মানুহে তেওঁক শেষ শ্ৰদ্ধা জনাব পাৰে। ইয়াৰ পাছত অজিত পাৱাৰৰ প্ৰতিকৃৰ্তি স্থাপন কৰা আৰু 'স্বৰ্গীয় অজিতদাদা পাৱাৰ অমৰ হওক' বুলি লিখা এখন পুষ্পসজ্জিত ৰথত তেওঁক শেষকৃত্যৰ বাবে কঢ়িয়াই নিয়া হয়। বিদ্যা প্ৰতিষ্ঠান কেম্পাছ (গাদিমা)ৰ পৰা এই যাত্ৰা আৰম্ভ হয়, চহৰৰ মাজেৰে পাৰ হৈ বিদ্যা প্ৰতিষ্ঠান খেলপথাৰত শেষ হয়, য'ত পুৱা ১১ বজাত শেষকৃত্য অনুষ্ঠান সম্পন্ন হয়। দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ মৃত্যুৰ ২৪ ঘণ্টাৰ পিছত উদ্ধাৰ হ'ল দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ব্লেকবক্স। বুধবাৰে পুৱাৰ ভাগতে সংঘটিত দুৰ্ঘটনাটোৰ পিছত সন্ধিয়ালৈ বিমান দুৰ্ঘটনা তদন্ত ব্যুৰ' (এএআইবি)ৰ এটা বিশেষ দলে ঘটনাস্থলী পৰিদৰ্শন কৰি ব্লেকবক্সটো উদ্ধাৰ কৰে। ইতিমধ্যে ফৰেনছিক তদন্ত আৰম্ভ হৈছে। ব্লেকবক্সৰ তথ্য বিশ্লেষণৰ পূৰ্ণাংগ প্ৰতিবেদন প্ৰকাশৰ পিছত জানিব পৰা যাব দুৰ্ঘটনাৰ সবিশেষ।

# ডিব্ৰুগড়ত অসম পেট্ৰ'কেমিকেলছ

মুখ্যমন্ত্ৰীয়ে সোঁৱৰণ কৰে। তেওঁ উল্লেখ কৰে যে এপিএলে জন্মৰে পৰা মিথানল উৎপাদন কৰি আহিছে আৰু এইক্ষেত্ৰত দেশৰ এক অগ্ৰণী কোম্পানী হিচাপে ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰিছে। অৱশ্যে ইমানদিনে মূলতঃ জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীল হৈ থকাৰ পিছত এতিয়া চৰকাৰে কাৰ্বন নিৰ্গমন নোহোৱা জৈৱ-ইথানলৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে কয় যে দীনদয়াল বন্দৰৰ সৈতে হোৱা এই চুক্তিয়ে উৎপাদিত ইন্ধনসমূহ সাগৰীয় পথেৰে পৰিবহণ কৰাত বিশেষভাৱে সহায় কৰিব। অসমৰ সামগ্ৰী বিশ্বৰ বজাৰলৈ নিবলৈ এক সুচল লজিষ্টিক ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি তেওঁ কয় যে ব্ৰহ্মপুত্ৰৰ জলপথ আৰু দীনদয়াল বন্দৰৰ মাজত এক সমন্বয় স্থাপন কৰিলে ৰাজ্যৰ ৰপ্তানি বৃদ্ধি পাব। এই যাত্ৰাত সহায় কৰাৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ বিশেষভাৱে কয় যে ই-মিথানলৰ দৰে এক অত্যাধুনিক সেউজ প্ৰযুক্তিৰ ব্যৱহাৰিক প্ৰয়োগে গোলকীয় জলবায়ু পৰিৱৰ্তনৰ মোকাবিলা কৰাত সহায় কৰিব। তেওঁ আঙুলিয়াই দিয়ে যে গুজৰাটৰ কান্দলা বন্দৰত এই প্ৰকল্পটো স্থাপন কৰাৰ জৰিয়তে ভাৰতৰ পশ্চিম উপকূলৰ সৈতে পূব ভাৰতৰ এক শক্তিশালী ঔদ্যোগিক সেতু নিৰ্মাণ কৰা হৈছে। ইয়াৰ ফলত জলপথ পৰিবহণৰ জৰিয়তে সামগ্ৰী সৰবৰাহৰ ব্যয় বহু পৰিমাণে হ্ৰাস পাব আৰু দেশৰ 'মেৰিটাইম অৰ্থনীতি' অধিক শক্তিশালী হ'ব। এই প্ৰকল্পৰ সৈতে জড়িত হ'বলগীয়া উচ্চকাৰিকৰী জ্ঞানৰ বাবে অসমৰ যুৱক-যুৱতীসকলক বিশেষ প্ৰশিক্ষণ দিয়াৰ লগতে 'স্কিল ডেভেলপমেণ্ট'ৰ জৰিয়তে তেওঁলোকক এই গোলকীয় মূল্য শৃংখলৰ যোগ্য কৰি তোলা হ'ব বুলিও তেওঁ ভাষণত উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে কেৱল উদ্যোগ স্থাপন কৰাটোৱেই চৰকাৰৰ একমাত্ৰ লক্ষ্য নহয়, বৰঞ্চ এই উদ্যোগসমূহ পৰিচালনা কৰিব পৰাকৈ আমাৰ ৰাজ্যৰ মানৱ সম্পদকো সমানেই শক্তিশালী কৰি তুলিব লাগিব। ই-মিথানল বা ছেমিকণ্ডাক্টৰৰ দৰে অত্যাধুনিক আৰু উচ্চ কাৰিকৰী প্ৰযুক্তিৰ সৈতে খোজ মিলাব পৰাকৈ অসমৰ যুৱক-যুৱতীসকলক বিশেষভাৱে দক্ষ কৰি তোলাটো এক অপৰিহাৰ্য বুলি তেওঁ উল্লেখ কৰে। আমাৰ স্থানীয় যুৱপ্ৰজন্মই যাতে এই আধুনিক উদ্যোগসমূহত কেৱল শ্ৰমিক হিচাপেই নহয়, বৰঞ্চ কাৰিকৰী বিশেষজ্ঞ হিচাপেও নিয়োজিত হ'ব পাৰে, তাৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ কয়। ইমানদিনে সামগ্ৰী পৰিবহণৰ খৰচ অধিক হোৱাৰ বাবে অসমৰ উদ্যোগসমূহে যি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল, তাৰ সমাধানৰ পথ প্ৰশস্ত কৰি মুখ্যমন্ত্ৰীয়ে জলপথৰ কৌশলগত ব্যৱহাৰৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে ব্ৰহ্মপুত্ৰৰ পৰা বংগোপসাগৰ হৈ গুজৰাটৰ কান্দলা বন্দৰলৈকে যিটো জলপথৰ সংযোগ গঢ়ি তোলা হৈছে, সেইটোৱে সামগ্ৰী পৰিবহণৰ ব্যয় বহুত পৰিমাণে হ্ৰাস কৰিব। সাগৰীয় পথৰ এই সংযোগে অসমত উৎপাদিত সামগ্ৰীসমূহক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত অধিক প্ৰতিযোগিতামূলক কৰি তুলিব আৰু ৰাজ্যৰ অৰ্থনীতিক এক নতুন মাত্ৰা প্ৰদান কৰিব। অসমৰ ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহ যে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলৈ সম্পূৰ্ণ সক্ষম, সেই কথা এই নতুন প্ৰকল্পই প্ৰমাণ কৰিলে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ বৰ্ধিত ঔদ্যোগিক সামৰ্থ্যৰ কথা উল্লেখ কৰি কয় যে নুমলীগড় শোধনাগাৰৰ সম্প্ৰসাৰণ, নামৰূপৰ নতুন এম'নিয়া-ইউৰিয়া প্ৰকল্প আৰু জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰ উদ্যোগৰ জৰিয়তে অসমে এক সম্পদ আধাৰিত অৰ্থনীতিৰ পৰা বিশ্বজনীন মূল্য শৃংখলৰ অংশীদাৰ হোৱাৰ দিশত ক্ষিপ্ৰতাৰে আগবাঢ়িছে। 'এডভান্টেজ আছাম-২.০'ৰ জৰিয়তে ৫.১৮ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভকৰা হৈছিল আৰু মাত্ৰ এটা বছৰৰ ভিতৰতে প্ৰায় ৩ লাখ কোটি টকাৰ প্ৰকল্প ৰূপায়ণৰ কাম আৰম্ভ হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

# দেৰগাঁৱত এইবাৰ বিজেপিয়ে

আমি বেয়া নাপাওঁ। আমাৰ মিলামিছা যেনেদৰে আছে, তেনেদৰে থাকিব। সেইদৰে খুমটাই সমষ্টিত আসন্ন নিৰ্বাচনত বিজেপিৰ বৰ্তমানৰ বিধায়ক মৃণাল শইকীয়াই পুনৰ প্ৰাৰ্থিত্ব লাভ কৰাৰ ইংগিত দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে খুমটাইত আন কোনেও বিজেপিৰ প্ৰাৰ্থিত্ব বিচৰা নাই। ইয়াত প্ৰাৰ্থিত্ব বিচৰা বেলেগ মানুহ নাই। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ এই ভাষ্যই মৃণাল শইকীয়াই খুমটাইত পুনৰ প্ৰাৰ্থিত্ব লাভ কৰাটো নিশ্চিত কৰিছে। ইফালে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত শুকুৰবাৰে সন্ধিয়া গুৱাহাটীৰ বশিষ্ঠস্থিত অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত দুঘণ্টাজোৰা বৈঠকৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আমি দুঘণ্টা আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ কথাই পাতিছোঁ। নিৰ্বাচনৰ আগে আগে কি কি কৰিব লাগিব, কেনেকৈ আগুৱাই যাব লাগিব, সেই বিষয়ে আলোচনা কৰা হৈছে। সেইদৰে পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব, মন্ত্ৰী কোন হ'ব সেই বিষয়ে পৰৱৰ্তী পৰ্যায়ত আলোচনা কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মই অসমৰ মুখ্যমন্ত্ৰী হৈ আছোঁ। মোৰ লক্ষ্য হৈছে অসমৰ বাবে কাম কৰা আৰু অসমখন আগুৱাই লৈ যোৱা। বৰ্তমান আমাৰ আটাইৰে লক্ষ্য হৈছে নিৰ্বাচনত বিজেপি বিজয়ী হোৱা। কোন মুখ্যমন্ত্ৰী হ'ব, কোন মন্ত্ৰী হ'ব এইবিলাক আমি পিছে-পৰেও আলোচনা কৰি থাকিব পাৰিম।

# ডিব্ৰুগড়ত কেইবাটাও প্ৰকল্পৰ

জলাশয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰথম পৰ্যায়ত ১৫টা জলাশয় উন্নয়নৰ বাবে ৬৯২ কোটি টকা ব্যয় কৰিছে। ইয়াৰ ফলত জ্জ৫০, ০০০ লোকক বানৰ কবলৰ পৰা ৰক্ষা কৰিব পৰা যাব। প্ৰায় ৭৭ হাজাৰ হেক্টৰ ভূমিত সুবিধা হ'ব জলসিঞ্চনৰ। বানৰ তীব্ৰতা হ্ৰাস পাব তথা জলধাৰণ ক্ষমতা বৃদ্ধিৰ ফলত ভূগৰ্ভস্থ জলস্তৰ বৃদ্ধি পাব। ১৫টা বৃহৎ জলাশয়ে জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ ফলত অসমীয়া কৃষকসকলে বছৰি তিনিটা ফচলৰ কৃষিকৰ্ম কৰাত সহায় লাভ কৰিব। ইয়াৰ সমান্তৰালভাৱে পশুপালন আৰু দুগ্ধ উদ্যোগকো উৎসাহিত কৰিব। লগতে ই আকৰ্ষণ কেন্দ্ৰবিন্দু হ'ব পৰ্যটকৰ। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহৰ মতে বিগত ৫ বছৰত অসমৰ উল্লেখযোগ্য অৰ্থনৈতিক সংস্কাৰ হৈছে। অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ৪.১ লাখ কোটি টকাৰ পৰা বৃদ্ধি হৈছে ৭.২ লাখ কোটি টকালৈ। মোদী চৰকাৰৰ আমোলত যুৱপ্ৰজন্মৰ আয় ৫০ শতাংশ বাঢ়িছে। আমাক যদি শান্তি, উন্নয়ন, শিক্ষা, উদ্যোগ আৰু কৰ্মসংস্থাপনৰ প্ৰয়োজন হয়, তেন্তে সেয়া বিজেপি চৰকাৰৰ দিনতহে সম্ভৱ হ'ব পাৰে। ক্ৰীড়া খণ্ডৰ উন্নয়নৰ হকে প্ৰধানমন্ত্ৰী মোদীয়ে যুৱপ্ৰজন্মক উৎসাহিত কৰাৰ হকে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰসংগও ভাষণত উল্লেখ কৰে তেওঁ। এই সন্দৰ্ভত তেওঁ কয় যে আজি ডিব্ৰুগড়ত বিশ্বমানৰ সুযোগ-সুবিধা সমৃদ্ধ এটা বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায় উদ্বোধন কৰা হৈছে। ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ১০৬ একৰ ভূমিত এখন ইনড'ৰ ষ্টেডিয়াম, ছুইমিং পুল, ফুটবল ফিল্ড, লন টেনিছ কৰ্ট, বাস্কেটবল ক'ৰ্ট, ভলীবল ক'ৰ্ট, খেলুৱৈ-প্ৰশিক্ষকসকল থাকিবলৈ হোষ্টেলৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগে লগে ২০৯ কোটি টকা ব্যয়েৰে ক্ৰীড়া প্ৰকল্পটোৰ দ্বিতীয় পৰ্যায়ৰ শিলান্যাসো সম্পন্ন কৰা হৈছে। সেইদৰে অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ সম্পৰ্কত তেওঁ কয় যে আজি অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ আৰু বিধায়ক আৱাসৰ শিলান্যাস কৰা হ'ল। দিনজানত ২৯২ কোটি টকাৰে এটি বন্যপ্ৰাণী স্বাস্থ্য-গৱেষণা প্ৰতিষ্ঠান নিৰ্মাণ কৰা হ'ব। য'ত বন্যজন্তুৰ চিকিৎসাৰ লগতে গৱেষণা তথা ৰোগ নিৰ্ণয়ৰ সুযোগ সুবিধা অন্তৰ্ভুক্ত থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে নিজ ভাষণতেই জাতিৰ পিতা মহাত্মা গান্ধীলৈ মৃত্যুবাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধ্যক্ষ ডাঃ নোমল মমিন, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কেশৱ মহন্ত, যোগেন মহন, পীযূষ হাজৰিকা, বিমল বড়া, নন্দিতা গাৰ্লোছা, ৰূপেশ গোৱালা, কৃষ্ণেন্দু পাল, সাংসদ ৰামেশ্বৰ তেলী আদি উপস্থিত আছিল।

# অমৃতপ্ৰভা মহন্ত আৰু দুই

গোচৰো জড়িত হৈ আছে। তেওঁ কয় যে জুবিন গাৰ্গৰ কষ্টোপাৰ্জিত ধনৰ এটা বৃহৎ অংশ দুয়োজনৰ হাতত জমা থকা কথাটো তেওঁলোক অৱগত আছিল। গতিকে জুবিন গাৰ্গৰ মৃত্যুৰ পাছত তেওঁলোকে এই জমা ধন সন্দৰ্ভত পত্নী গৰিমা শইকীয়া গাৰ্গৰ ওচৰলৈ যাব লাগিছিল। কিন্তু ধনখিনি তেওঁলোকে বেয়া উদ্দেশ্যৰে আত্মসাৎ কৰিব বিচাৰিছিল আৰু তাৰ পৰিপ্ৰেক্ষিততে দুয়োৰে জামিন আদালতে নাকচ কৰে। ইপিনে জামিন আবেদনক লৈ শুনানিৰ মাজতে হত্যাকাণ্ডটোৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাই তিনিখনকৈ নতুন আবেদন আদালতত দাখিল কৰাক লৈ যথেষ্ট চৰ্চাৰ সৃষ্টি হৈছে। লোক অধিবক্তা জিয়াউল কামাৰে কয় যে জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ গোচৰৰ পৰা ৰেহাই বিচাৰি সিদ্ধাৰ্থ শৰ্মাই আবেদনখন দাখিল কৰিছে। সিদ্ধাৰ্থৰ অধিবক্তাই ছিংগাপুৰত কি ঘটিছিল তাৰ তথ্য আদালতত বিচৰাৰ লগতে সিদ্ধাৰ্থ শৰ্মাৰ সকলো নথি-পত্ৰ বিচাৰি আবেদন জনাইছে। লক্ষণীয় যে আবেদন দাখিল কৰিলেও অহা ১৩ ফেব্ৰুৱাৰীত হ'বলগীয়া শুনানিত চৰকাৰী অধিবক্তাই ৰেহাইৰ আবেদন সন্দৰ্ভত আপত্তি দখাব বুলি জানিব পৰা গৈছে। আনহাতে এছআইটিয়েও ইতিমধ্যে সিদ্ধাৰ্থ শৰ্মা মালিকানাধীন মহাবীৰ একুৱা আৰু ফটাশিল আমবাৰীত থকা ফ্লেট ছীল কৰাৰ বাবে বিচৰা অনুমতি আবেদন সন্দৰ্ভতো আদালতে কোনোধৰণৰ ৰায় প্ৰদান নকৰে যদিও অহা ৰছ ফেব্ৰুৱাৰীত এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। ইপিনে শুনানিৰ সময়ত আদালতত উপস্থিত থাকি শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গে আদালতে জামিন আবেদন নাকচ কৰা বিষয়টোত সন্তোষ প্ৰকাশ কৰে। গৰিমা শইকীয়া গাৰ্গে কয় যে বিচাৰ প্ৰক্ৰিয়া শেষ হৈ অসুৰকেইটাই শাস্তি নোপোৱালৈকে জামিন কোনো কাৰণত পাব নালাগে। সিদ্ধাৰ্থই ৰেহাইৰ বাবে আবেদন দাখিল কৰিছে। সেইটো এটা আচৰিত কথা। মোৰ লগতে সমগ্ৰ অসমৰ জনগণে বিচাৰে যে জুবিন গাৰ্গৰ ন্যায় প্ৰতিষ্ঠা নোহোৱালৈকে কোনো বাহিৰ ওলাব নালাগে। বিচাৰ প্ৰক্ৰিয়া শীঘ্ৰেই সম্পন্ন হওক। দোষীয়ে সোনকালে শাস্তি পাওক। সেয়া আমি বিচাৰোঁ। পূৰ্বৰ স্মৃতি সুঁৱৰি আদালত চৌহদত পুনৰ আৱেগিকভাৱে গৰিমা শইকীয়া গাৰ্গে কয় যে আটাইতকৈ ডাঙৰ কথা যে আমি সকলোকে বিশ্বাস কৰিলোঁ। জুবিনে সকলোকে একেটো পৰিয়াল বুলি কৈ মোক কাষ চপাই দিছিল। তেওঁ যেতিয়া পৃথিৱীৰ পৰা অকালতে আঁতৰি গ'ল, মোক এই দানৰ বিলাকক পৰিচয় কৰি দি গ'ল। সকলোকে খুব মৰম কৰিছিল। মানুহজনে সকলোকে মৰমহে কৰিব জানিলে আৰু ময়ো তেওঁৰ দৰেই পৰিয়াল বুলি ভাবি আগবাঢ়িছিলোঁ আৰু সেয়াই আমাৰ দুয়োৰে ভুল আছিল। অসমৰ ৰাইজলৈ অনুৰোধ জনাই আজি পুনৰ কয় যে বৰ্তমানলৈকে সকলো ৰাইজ মোৰ লগত আছে। অন্তিম মুহূৰ্তলৈকে সমগ্ৰ অসমবাসীয়ে মোক এনেদৰে আগবঢ়াই নি জুবিন গাৰ্গক ন্যায় দিব বুলি মই আশাবাদী।

# কংগ্ৰেছৰ নতুন বৰ অসম

বৰ অসম স্বৰ্গদেউ চাওলুং চ্যুকাফাই ছশ বছৰ আগতে নিৰ্মাণ কৰিলে। নতুন মানে কি? তাৰ মানে চাওলুং চ্যুকাফাৰ বৰ অসমখন নহয়। নতুন বৰ অসম মানে কি যে অবৈধ বাংলাদেশীসকলক সংযোজন কৰি তেওঁলোকে এখন নতুন বৰ অসম নিৰ্মাণ কৰিব খুজিছে। মই ইয়ালৈ আহি থাকোতে কংগ্ৰেছৰ দেৱাল লিখন দেখা পালো । এটা ভয়ানক দেৱাল লিখন লিখি থৈছে । বৰ অসম নহয়, নতুন বৰ অসম। এইটো এটা ডাঙৰ কথা । কংগ্ৰেছৰ নতুন বৰ অসমখন কেনে হ'ব তাৰো ব্যাখ্যা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় নতুন বৰ অসম মানে কি বুলি প্ৰশ্ন কৰাত কয় যে আমি বৰ অসম বুলিলে চাওলুং চুকাফাই গঢ়ি থৈ যোৱা বৰ অসমৰ কথাহে বুজোঁ। নতুন বৰ অসম বুলি কৈ নতুনকৈ অহা মিঞাসকলক এতিয়া অসমীয়াৰ সীমাৰ ভিতৰত সুমুৱাব খুজিছে। অসমত এনেধৰণৰ বৰ অসম গঢ়িবলৈ দিয়া নহ'ব বুলি স্পষ্ট কৰি দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গৌৰৱ গগৈ বা কংগ্ৰেছৰ মানুহবিলাক মিঞাৰ ভোটক লৈ পাগল হৈ আছে। তেওঁলোক মিঞাক লৈ ইমানেই পাগল যে 'অসমীয়া'ৰ পৰা 'অস' কাটি এদিন সকলোকে মিঞা বনাই দিব। মিঞা মানে বাংলাদেশী, অনুপ্ৰৱেশকাৰী। তেওঁলোকে মিঞাৰ বিৰুদ্ধে কোনোবাই কিবা ক'লে হুলস্থুল লগাই দিয়ে। অসমীয়াৰ বিৰুদ্ধে ক'লে তেওঁলোকৰ কোনো টিপ্পনী নাই। তেওঁলোকে কয়-হিমন্ত বিশ্ব শৰ্মাই কেৱল মিঞা মিঞা কয়। মিঞা বুলি নকৈ কি বুলি ক'ম? মিঞাই আমাৰ মাটি দখল কৰিছে, সত্ৰৰ মাটি দখল কৰিছে, লাভ জেহাদ কৰিব, সাৰ জেহাদ কৰিব। অসমীয়া মানুহে এতিয়া বুজি উঠিছে। আমি একত্ৰিত হ'ব লাগিব। সদায় আমি ১০-১২জন বিদেশী খেদি আছোঁ। আমি বিদেশী খেদাৰ বাবে চেষ্টা কৰি আছোঁ আৰু কৰি থাকিম। শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ে জিলা আয়ুক্তসকলক বিদেশী খেদাৰ দায়িত্ব দিছে। গতিকে এতিয়া বিদেশী খেদা বাঢ়ি থাকিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমত বিজেপি দলৰ চৰকাৰ নাথাকিলে কংগ্ৰেছে নতুন বৰ অসমেই বনাব আৰু মিঞাক গোটেই অসমখনেই বিক্ৰী কৰি দিব।

# বাজপেয়ী ভৱনত কৰ্ণধাৰ

কঠোৰ হ'বলৈও পৰামৰ্শ দিয়ে। ইফালে, কৰ্ণাধাৰ সমিতিৰ এই বৈঠকৰ পাছতে সংবাদ মাধ্যমৰ আগত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বৈঠক সম্পৰ্কে কয়- গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যিক নিৰ্বাচন প্ৰবন্ধন ক'ৰ টীমৰ সৈতে বৈঠক অনুষ্ঠিত কৰে। দুঘণ্টাজোৰা এই বৈঠকত আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে কিদৰে দলে প্ৰস্তুতি চলাইছে তথা কি কি ধৰণে দল আগবাঢ়িব সেই সকলো তথ্য বিস্তৃতভাৱে সংগ্ৰহ কৰে। এইক্ষেত্ৰত গৃহমন্ত্ৰীগৰাকীয়ে নিৰ্বাচন সম্পৰ্কীয় এলানি পৰামৰ্শও দলক প্ৰদান কৰিছে। সভাপতি শইকীয়াই ইয়াকো উল্লেখ কৰে যে তৃতীয়বাৰৰ বাবে বিজেপিৰ নেতৃত্বত যাতে অসমত চৰকাৰ গঠন হয়, তাৰ কিছু ৰণকৌশলো উক্ত বৈঠকত আলোচনা কৰা হয়। এই বৈঠকতে নিৰ্বাচনৰ কৰ্মসূচী প্ৰস্তুত কৰি আগবাঢ়িবলৈ পৰামৰ্শ দিয়াৰ লগতে গৃহমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ জনমুখী কাৰ্যসূচীসমূহ ভোটাৰ ৰাইজৰ মাজলৈ নিয়াৰ বাবে বিশেষ কাৰ্যসূচী প্ৰস্তুত কৰাৰ বাবেও পৰামৰ্শ দিয়ে। সভাপতি শইকীয়াই কয়- নিৰ্বাচনৰ সন্দৰ্ভত অমিত শ্বাহৰ যি দীঘলীয়া অভিজ্ঞতা তথা দলক জয়যুক্ত কৰাৰ ক্ষেত্ৰত বিভিন্ন ৰাজ্যত গৃহমন্ত্ৰীগৰাকীয়ে যি অৰিহণা যোগাইছে সেই অভিজ্ঞতা সন্দৰ্ভতো ৰাজ্যিক বিজেপিক অৱগত কৰে অমিত শ্বাহে। এই বৈঠকক লৈ ৰাজ্যিক বিজেপি যথেষ্ট আশাবাদী হোৱাৰ লগতে আগন্তুক নিৰ্বাচনী কৰ্মসূচী এই বৈঠকতে চূড়ান্ত কৰা হয়।

# মাজুলীৰ জলসিঞ্চন

পৰিচালনা কৰে নৰেন শইকীয়াই। অনুষ্ঠানটিত বিভাগৰ কনিষ্ঠ অভিযন্তা স্বপ্নীল কাশ্যপ সহ মাজুলী জলসিঞ্চন বিভাগৰ সকলো বিষয়া কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে । সম্বৰ্ধনা অনুষ্ঠানত সম্বৰ্ধনা গ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে তেওঁলোকৰ কৰ্মজীৱনৰ বিভিন্ন অভিজ্ঞতা ব্যাখ্যা কৰি মৰ্মস্পৰ্শী ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতা, অৰুণোদয় হাইস্কুলৰ শিক্ষক বসন্ত কুমাৰ শইকীয়াই অংশগ্ৰহণ কৰি শুভেচ্ছা মূলক ভাষণ প্ৰদান কৰে। বিভাগৰ কৰ্মচাৰী প্ৰদীপ দাসৰ গীতে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত বিভাগৰ কৰ্মচাৰী সঞ্জীৱ দাস, প্ৰদীপ দাস, নৰেন শইকীয়াই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰি অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে। সম্বৰ্ধনা অনুষ্ঠানটিত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ পৰিয়ালৰ লোকসকলেও অংশগ্ৰহণ কৰে।

## ENGLISH NEWS SECTION

# Assam Governor inaugurates a two-day workshop on 'Manuscripts of Assam'



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya inaugurated a two-day workshop on 'Manuscripts of Assam' at the Phanidhar Datta Seminar Hall, Gauhati University. The workshop has been organised under the 'Governor Assam Bhasha Protsahan Yojana, 2025', a visionary initiative of Lok Bhavan, Assam, conceptualized by the Governor to promote and preserve the rich linguistic and literary heritage of the State. Speaking on the occasion, Governor Shri Acharya described manuscripts as the immortal carriers of knowledge and cultural legacy. Quoting the ancient Sanskrit proverb "Nasti vidya sama? cak?u?", which means 'there is no vision equal to knowledge', the Governor said that manuscripts preserve the wisdom of sages, saints, and society across generations. Highlighting Assam's illustrated knowledge tradition from ancient Kamarupa to the Ahom period, he noted that manuscripts in Sanskrit, Old Assamese, and Tai-Ahom reflect the State's multilingual and multicultural ethos. Referring to the works of Srimanta Sankardeva and Sri Madhavdeva, the Governor said these manuscripts convey enduring messages of wisdom, social harmony, compassion, and human dignity, while the Ahom-era history represent a unique and scientific tradition of historiography.

## Assam Governor Shri Lakshman Prasad Acharya felicitates armed forces veteran



Guwahati,RB News: In what can be termed as a fitting tribute to those primarily responsible for strengthening the tenets of Sovereign, Socialist, Secular and Democratic Republic of India, Assam Governor Shri Lakshman Prasad Acharya on the occasion of the 77th Republic Day, felicitated a few armed forces veteran at a programme held at Lok Bhavan. The Governor on the occasion, felicitated armed forces veteran achievers namely M. Hari Keshore Singha, Kirti Prasad Chaliha, Khanindra Bezbora, Tarendra Nath Basumutary, and Ex-Havildar Paresh Chandra Nath in recognition of their exemplary contributions both on and off their service. The armed forces veteran after their superannuation from the services engaged themselves in various welfare activities and are making positive changes in the society. The Governor while felicitating them hailed their role both as armed forces personnel as well as citizens of the country. Shri Acharya wished them a long life and requested them to continue their services to bring about qualitative changes through their productive engagements. He also said that they are the inspirations and asked them to remain like that so that the younger generation can emulate them.

## RCB reach their 2nd WPL final



RB News: RCB defeated UPW by eight wickets in Vadodara on Thursday to book a place in Women's Premier League (WPL) 2026 final. RCB, who topped table in league stage with 12 points, have reached WPL final for the second time. They will face winners of the eliminator in the final on February 5. Barring a mathematical miracle, Warriorz will be headed for the exit door after the final league fixture against Delhi Capitals on Sunday.

## Jensi Kanabar becomes first Indian female to win Aus Open U-14 title




RB News: Jensi Kanabar made history on Friday by becoming the first Indian female to win the Australian Open U14 title. The 14-year-old produced a comeback in the final, defeating Australia's Musemma Cilek 3-6, 6-4, 6-1. Hailing from Gujarat, the 14-year-old reached number one position in All India Tennis Association (AITA) Girls Under-14 and Under-16 categories. She won Girls' Under-14 title at Fenesta Open National Tennis Championship 2025 and GSPDP Asian Under-14 Junior Championship 2025.

## Siddhesh Lad enters elite list with Sachin Tendulkar



RB News: Mumbai batter Siddhesh Lad slammed 103(185) on Day 3 of Ranji Trophy match against Delhi. He joined Rusi Modi and cricket legend Sachin Tendulkar on list of Mumbai batters to have scored five or more hundreds in a single Ranji Trophy season. Lad has amassed 737 runs in seven matches, including highest score of 170, in Ranji Trophy this season.

## Sam Curran becomes second English cricketer to take T20I hat-trick



RB News: Fast bowler Sam Curran became the second Englishman to achieve a T20I hat trick as Sri Lanka was beaten by 11 runs in a rain-affected series opener on Friday. Curran was smashed for 35 runs in his first two overs but made a stunning comeback by taking three wickets in three balls in his last over to finish with 3-38. Sri Lanka was dismissed two balls later. The only other England men's T20 hat trick was by Chris Jordan against the United States at the 2024 T20 World Cup. England spinner Adil Rashid, who picked up 3-19 in four overs, was named Player of the Match.

# বিশ্ব সাহিত্যৰ তাত্ত্বিক ধাৰা আৰু অসমীয়া সাহিত্যৰ

আত্মচেতনাৰ বাহক । ইয়াত নাৰী নিজে নিজৰ কাহিনী কোৱা এক সক্ৰিয় বিষয় (subject) ৰূপে প্ৰতিষ্ঠিত। নাৰীবাদী সাহিত্য সমালোচনাই এই পাঠসমূহত ভাষাৰ ক্ষমতা, নীৰৱতাৰ ৰাজনীতি আৰু পুৰুষ-প্ৰধান বৰ্ণনাৰ ভাঙনি বিশ্লেষণ কৰে ।

অসমীয়া সাহিত্যত নাৰীৰ উপস্থিতি প্ৰাচীনকালৰে পৰা দেখা পোৱা যায় যদিও, সেই উপস্থিতি অধিকাংশই পুৰুষতান্ত্ৰিক দৃষ্টিভংগীৰে নিৰ্মিত। নাৰী বহুদিন ধৰি সাহিত্যত "কথিত" হৈছিল, কিন্তু "কথা কোৱা" নাছিল।নাৰীৰ এই নীৰৱতাৰ সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক কাৰণসমূহ উন্মোচন কৰাটো নাৰীবাদী সাহিত্য সমালোচনাৰ এক মুখ্য উদ্দেশ্য । নাৰীবাদী সমালোচনাই এই নীৰৱতাক কেৱল ঐতিহাসিক দুৰ্ঘটনা বুলি নাভাবে; ই এক সচেতন ক্ষমতা-প্ৰয়োগৰ ফল বুলি ব্যাখ্যা কৰে ।প্ৰাচীন আৰু মধ্যযুগীয় সাহিত্যত নাৰীৰ উপস্থিতি থাকিলেও সেই উপস্থিতি অধিকাংশ ক্ষেত্ৰত ধৰ্মীয় নৈতিকতা আৰু পুৰুষ-কেন্দ্ৰিক সমাজ ব্যৱস্থাৰ ভিতৰত সীমাবদ্ধ আছিল। নাৰী ত্যাগ, সহনশীলতা আৰু পৱিত্ৰতাৰ প্ৰতীক হিচাপে চিত্ৰিত হৈছিল । আধুনিক অসমীয়া সাহিত্যতহে নাৰী চৰিত্ৰই নিজৰ অন্তৰ্জগত, দ্বন্দ্ব আৰু প্ৰতিবাদক ভাষা পায়।

প্ৰাচীন আৰু বৈষ্ণৱ অসমীয়া সাহিত্যত নাৰী আছিল মূলত ধৰ্মীয় আৰু নৈতিক আদৰ্শৰ প্ৰতীক। শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱৰ সাহিত্যত নাৰী ভক্তি, সহনশীলতা, ত্যাগ আৰু পৱিত্ৰতাৰ আধাৰ হিচাপে চিত্ৰিত।ইয়াত নাৰী এক আদৰ্শ চৰিত্ৰ-স্বতন্ত্ৰ ব্যক্তিত্ব নহয়। নাৰীৰ নিজস্ব ইচ্ছা, কামনা বা বিদ্ৰোহ ইয়াত অনুপস্থিত; বৰঞ্চ নাৰী চৰিত্ৰসমূহে পুৰুষতান্ত্ৰিক সামাজিক কাঠামোক নৈতিক বৈধতা প্ৰদান কৰে ।এইটো সেই সময়ৰ সামাজিক বাস্তৱতাৰ সাহিত্যিক প্ৰতিফলন বুলি ক'ব পাৰি, য'ত সাহিত্য সামাজিক পৰিৱৰ্তনৰ আগত নহয়, সমাজৰ সৈতে সহগামী।

ঔপনিবেশিক যুগত অসমীয়া সাহিত্যত নাৰীৰ প্ৰতিচ্ছবি কিছু মানবীয় হয় । লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিও বৰুৱাৰ ৰচনাত নাৰী সংবেদনশীল, দুখী আৰু সহনশীল সত্তা ।তথাপিও এই দুখৰ সামাজিক কাৰণসমূহ তীব্ৰভাৱে প্ৰশ্ন কৰা নহয় ।নাৰী চৰিত্ৰ ভুক্তভোগী হিচাপে উপস্থিত হলেও, তেওঁলোক সচেতন প্ৰতিবাদী সত্তা ৈল উত্তৰণ নকৰে ।

**আগলৈ**




ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286